




গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১৫ আগষ্ট ২০২৫/৩০ শাওন ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ১৭ ● Vol - 14, Issue - 17


# গোৱা আৰক্ষীত নিযুক্ত কনিষ্টবলক প্ৰশিক্ষণ প্ৰদানেৰে উজলি উঠিল লাচিত বৰফুকন পুলিচ একাডেমী

## দীক্ষান্ত সমাৰোহত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে গোৱাৰ মুখ্যমন্ত্ৰীৰো অংশগ্ৰহণ



**দিছপুৰ ঃ** দেৰগাঁওস্থিত লাচিত বৰফুকন পুলিচ একাডেমীত প্ৰশিক্ষণ সমাপ্ত কৰা গোৱা আৰক্ষীত নিযুক্ত ৭০০ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোৱাৰ মুখ্যমন্ত্ৰী ড° প্ৰমোদ সাৱন্তৰ সৈতে অংশগ্ৰহণ কৰে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই ভৌগোলিকভাৱে অসম আৰু গোৱাৰ মাজত থকা যথেষ্ট দূৰত্বৰ কথা উল্লেখ কৰি কয় যে গোৱা চৰকাৰে লাচিত বৰফুকন পুলিচ একাডেমীত ৰাজ্যখনৰ আৰক্ষী কনিষ্টবলসকলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰি দুয়োখন ৰাজ্যক বহু ওচৰ চপাই আনিলে। গোৱা আৰক্ষীত নিযুক্ত কনিষ্টবলসকলৰ প্ৰশিক্ষণৰ বাবে অসমক বাচনি কৰা কাৰ্যই দুয়োখন ৰাজ্যৰ মাজত থকা বিশ্বাস আৰু সহযোগিতাকে প্ৰতিফলিত কৰিছে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে গোৱা আৰক্ষীৰ কনিষ্টবলসকলক তেওঁলোকৰ সফল প্ৰশিক্ষণ সমাপ্তিৰ বাবে অভিনন্দন জ্ঞাপন কৰে । তেওঁ কয় যে এতিয়াৰে পৰা গোৱা আৰক্ষীৰ কনিষ্টবলসকল দেশৰ সেৱাৰ বাবে প্ৰস্তুত হৈ উঠিছে আৰু ১০ পৃষ্ঠাত



## সৰুসজাই ষ্টেডিয়ামত ৰৰহেজাৰ শিল্পীয়ে পৰিৱেশন কৰিব বড়ো লোক নৃত্যানুষ্ঠান ‘বাগৰুম্বা দ’হৌ’

**গুৱাহাটী ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অহা নৱেম্বৰৰ শেষৰফালে ৰাজ্যৰ বিভিন্ন জিলাৰ ৰৰহেজাৰ শিল্পীয়ে স্থানীয় সৰুসজাই ষ্টেডিয়ামত বড়ো জনগোষ্ঠীৰ অন্যতম প্ৰধান লোকনৃত্য বাগৰুম্বা নৃত্য পৰিৱেশন কৰিব। ইয়াৰে ১০ হেজাৰ মহিলা নৃত্য শিল্পী আৰু এহেজাৰ পুৰুষ বাদ্যশিল্পী। ৰাজ্যৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বড়াৰ সভাপতিত্বত জনতা ভৱনৰ মন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত বিশেষজ্ঞ সমিতিৰ এক বৈঠকত নৃত্যানুষ্ঠানটিৰ নাম ‘বাগৰুম্বা দ’হৌ’ হিচাপে নামকৰণৰ সিদ্ধান্ত লোৱা হয়। এই সভাতে বিশেষজ্ঞ সমিতিয়ে নৃত্যানুষ্ঠানটিৰ বাবে প্ৰস্তুত কৰা সংগীতটিও (মিউজিক ট্ৰেক) অনুমোদন জনোৱাৰ লগতে নৃত্যানুষ্ঠানটি উপযুক্ত ধৰণে পৰিচালনাৰ বাবে কৰিঅ’গ্ৰাফাৰ নিযুক্তি তথা জিলা সমূহত ওজা প্ৰশিক্ষক বাচনি কৰাৰ বাবেও বিশেষজ্ঞ সমিতিৰ ওপৰত সভাই দায়িত্ব অৰ্পণ কৰে। বড়ো জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা কেবাটাও আগশাৰীৰ সংগঠন ক্ৰমে দুলাৰাই বড়ো হাৰিমু আফাদ, ১০ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰী মোদীৰ ৮ ছেপ্তেম্বৰত প্ৰস্তাৱিত গোলাঘাট ভ্ৰমণৰ প্ৰস্তুতিৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ




**দিছপুৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ৮ ছেপ্তেম্বৰত প্ৰস্তাৱিত অসম আগমনকালত গোলাঘাট জিলা ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেৰগাঁৱৰ অসম আৰক্ষী সন্মিলন কেন্দ্ৰত এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই প্ৰস্তাৱিত অসম ভ্ৰমণৰ সময়ত নুমলীগড় শোধনাগাৰৰ জৈৱ শোধনাগাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে লক্ষাধিক লোকৰ উপস্থিতিত এক বিশাল জনসভাক সম্বোধন কৰিব। উল্লেখযোগ্য যে বাঁহৰ পৰা ইথানল প্ৰস্তুতকৰণৰ উদ্দেশ্যে গঢ়ি তোলা নুমলীগড়ৰ এই জৈৱ শোধনাগাৰটো দেশৰ ভিতৰতে এইধৰণৰ প্ৰথমটো প্ৰকল্প হিচাপে পৰিগণিত হ’ব। এই শোধনাগাৰে বছৰি প্ৰায় ৫০,০০০ টন ইথানলৰ লগতে উপজাত সামগ্ৰী হিচাপে ১৮,০০০ টন ফাৰফুৰেল আৰু ১১,০০০ টন এচিটিক এচিড উৎপাদন কৰিবলৈ সক্ষম হ’ব। তদুপৰি ই ১০ পৃষ্ঠাত

## শিক্ষাৰ অবিহনে এটা জাতিৰ উন্নয়ন অসম্ভৱ ঃ মন্ত্ৰী হাজৰিকা

### সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ ৮২সংখ্যক কেন্দ্ৰীয় অধিৱেশনত অংশগ্ৰহণ



**বিজনী ঃ** বৃহত্তৰ অসমীয়া জাতি গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা সূত্ৰধৰসকলৰ ছাত্ৰ সংগঠন সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ বিজনীত অনুষ্ঠিত ৮২ সংখ্যক কেন্দ্ৰীয় অধিৱেশনত অংশগ্ৰহণ কৰে সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই। জনগোষ্ঠীটোৰ উত্তৰণৰ বাবে যথেষ্ট সক্ৰিয়ভাৱে কাম কৰি থকা সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থা আৰু বিটিআৰ সূত্ৰধৰ ছাত্ৰ সন্থাৰ উদ্যোগত তথা চিৰাং জিলা সূত্ৰধৰ ছাত্ৰ সন্থা সমিতিৰ সহযোগত বিজনীত অনুষ্ঠিত কাৰ্যসূচীত অংশ লৈ মন্ত্ৰী হাজৰিকাই সন্থাক জনগোষ্ঠীটোৰ শৈক্ষিক দিশত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ উল্লেখ কৰে যে, জনগোষ্ঠীটোৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতামূলক পৰীক্ষা আৰু মেডিকেল, ইঞ্জিনীয়াৰিং আদি ক্ষেত্ৰত যাতে সফল হ’ব পাৰে, তাৰ বাবে বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ দৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা উচিত। ইয়াৰ লগতেই মন্ত্ৰী হাজৰিকাই পৰামৰ্শ দিয়ে যে সন্থাই প্ৰতি বছৰে ব্যয়বহুল অধিৱেশন সভা-সমিতিৰ ১০ পৃষ্ঠাত

## সলনি হ’ল নগাঁৱৰ ‘ঢাকাইপট্টি’ৰ নাম

## এতিয়াৰ পৰা জনা যাব ‘ৰূপকোঁৱৰৰ চ’ক’ নামেৰে




**জয়ন্ত মুদৈ, নগাঁও ঃ** অৱশেষত নতুনকৈ নামাংকিত কৰা হ’ল নগাঁও চহৰৰ ‘ঢাকাইপট্টি’ক। ভবা মতেই সলনি হ’ল চহৰখনৰ অন্যতম ব্যস্ততাপূৰ্ণ বাণিজ্যিক ঠাইখিনিৰ নাম। মঙলবাৰে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই এক ১০ পৃষ্ঠাত

# বিদ্যালয় এখন কেৱল শিক্ষকৰ চাকৰিৰ বাবে নহয়, ছাত্ৰৰ মনৰ দুৱাৰ খুলি দিয়াটোহে শিক্ষকৰ ধৰ্ম ঃ পৰেশ বৈশ্য



**গুৱাহাটী ঃ** আমাৰ দেশে শিক্ষাৰ নামত যিমান খৰচ কৰি আছে সেয়া আচলতে দেশৰ ভৱিষ্যত নিৰ্মাণৰ বাবে কৰা বিনিয়োগ। শিক্ষাই শিক্ষাৰ্থীক জ্ঞান দিয়ে। তাতেই শিক্ষাৰ সামৰণি নপৰে। জ্ঞানক সম্পদলৈ ৰূপান্তৰ কৰিব পৰাটোহে শিক্ষাৰ ইপ্সিত লক্ষ্য। কেৱল ভাল ঘৰ, ভাল শিক্ষক থাকিলেই এখন শিক্ষানুষ্ঠান ভাল হ'ব নোৱাৰে, শিক্ষানুষ্ঠানখনে সমাজৰ কামত অহা কিমান গুণসম্পন্ন মানৱ সম্পদ সৃষ্টি কৰিছে সেইটোহে শিক্ষানুষ্ঠান এখনৰ বাবে সফলতাৰ মাপকাঠি। ১৩ আগষ্টত বিষ্ণুৰাম মেধি প্ৰেক্ষাগৃহত হাজো এছ.বি.এছ.কে.আৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দুগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলে বিদায় সম্ভাষণ জনাবলৈ আয়োজন কৰা সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দি বিশিষ্ট শিক্ষাবিদ, লেখক-সাংবাদিক তথা দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ বৈশ্যই এইদৰে কয়। তেওঁ আৰু কয় যে বিদ্যালয় এখন শিক্ষকৰ চাকৰিৰ বাবে নহয়, ছাত্ৰৰ মনৰ দুৱাৰ খুলি দিয়াৰ দায়িত্ব ল'বলৈহে শিক্ষকক নিযুক্তি দিয়া হয়। সেয়ে আমি শিক্ষকতা বৃত্তিত প্ৰৱেশৰ দিনাৰ পৰাই এনে কিছুমান ছাত্ৰ হিতৈষী সেৱা আগবঢ়াব লাগে যাতে শিক্ষক গৰাকীক ছাত্ৰই সদায় মনত ৰাখে। শিক্ষকতা জীৱনৰ অৱসৰৰ দিনা এনে কামৰ তালিকাখন দীঘল কৰিবপৰা জনেহে যশস্বীমান আৰু ছাত্ৰৰ প্ৰিয় শিক্ষক। বিদ্যালয়খনৰ শৈক্ষিক তত্বাৱধায়ক প্ৰদীপ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক যোগেশ দাস আৰু শিক্ষয়িত্ৰী সৰজুপ্ৰভা কলিতাৰ বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে বিপুলভাৱে বিদায় সম্ভাষণ জনায়। অনুষ্ঠানৰ আৰম্ভণিতে নৱনীতা নাথে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী হৰেন দাস, সাহিত্যিক পেঞ্চনাৰ শ্ৰী প্ৰকাশ দাস, অৱসৰপ্ৰাপ্ত শিক্ষক বিজয় দাস, বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি নগেন মালাকাৰ, অৱসৰপ্ৰাপ্ত শিক্ষক ধনেশ্বৰ দাস, সমাজকৰ্মী নৃপেন দাস, শিক্ষয়িত্ৰী ইভাৰাণী মালাকাৰ প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ -ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ ফালৰ পৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।

# পশ্চিম গুৱাহাটী কলেজত অন্বেষ গোষ্ঠীৰ গ্ৰন্থ উন্মোচন সভা



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ** 'অন্বেষ গোষ্ঠী' নামেই যাৰ পৰিচয়। সাহিত্যৰ ক্ষেত্ৰখনত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। কবি সাহিত্যিক পদ্মনাথ গোহাঞি বৰুৱাদেৱে কৈছিল - 'সাহিত্যৰ অবিহনে কোনো এটা জাতিৰ অস্তিত্ব নাথাকে'। গতিকে আমাৰ অসমীয়া মাতৃভাষা চৰ্চা কৰি থাকিলেহে ভাষাটো সুৰক্ষিত হ'ব। অন্বেষ গোষ্ঠীয়ে প্ৰতি তিনিমাহৰ মূৰে মূৰে তিনিমহীয়া এখন আলোচনী বিগত কেইবাটাও বছৰ ধৰি একেৰাহে প্ৰকাশ কৰি আহিছে। এইবেলিও ২৬-০৭-২০২৫ তাৰিখে জুলাই চেপ্তেম্বৰ সংখ্যা পশ্চিম গুৱাহাটী মহাবিদ্যালয় প্ৰক্ষাগৃহত (ধাৰাপুৰ গুৱাহাটীত) 'সৃষ্টিৰ অন্বেষ' তিনিমহীয়া আলোচনীখনৰ উন্মোচনী সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে অন্বেষ গোষ্ঠীৰ সদস্যা কণ্ঠশিল্পী প্ৰয়াত জোনটি শৰ্মাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তাৰ পিছত অন্বেষ গোষ্ঠীৰ সভাপতি ড° দিলীপ কুমাৰ কলিতাৰ সভাপতিত্বত সভাখন অনুষ্ঠিত হয়। বিশিষ্ট ব্যক্তি পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মনীষা ভট্টাচাৰ্য আৰু অন্বেষ গোষ্ঠীৰ বিষয়ববীয়া, সদস্যৰ উপস্থিতিত তিনিমহীয়া আলোচনী 'সৃষ্টিৰ অন্বেষ' উন্মোচন কৰে। উক্ত সভাতে অন্বেষ গোষ্ঠীৰ আন এগৰাকী সক্ৰিয় সদস্যা লিপিকা ডেকাৰ 'সুখৰ সংজ্ঞা বিচাৰি' প্ৰবন্ধখন উন্মোচন কৰে। তেখেতৰ প্ৰবন্ধ গ্ৰন্থখন বাস্তৱ জীৱনৰ সমললৈ লিখা এখন মনোগ্ৰাহী গ্ৰন্থ, আশাকৰো পাঠকৰ সমাদৰ লাভ কৰিব। ন-পুৰণি সকলো লেখকক লৈ অন্বেষ গোষ্ঠীয়ে লোৱা সাহিত্যৰ ক্ষেত্ৰত এই জয়যাত্ৰা অব্যাহত থাকিব।



*ৰংপুৰ আৰু হাঁহচৰা গাঁও পঞ্চায়তৰ ৰোগাক্ৰান্ত লোকসকলক 'সহায়তা পুঁজি (Chief Minister Relief Fund)ৰ অধীনত চেক বিতৰণ প্ৰাক্তন বিধায়ক কুশল দুৱৰীৰ।*
**ফটো ঃ** অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ

# মাজুলী মহাবিদ্যালয় ছাত্ৰী নিৱাসৰ নৱাগত আদৰণি সভা

## 'সাধনাই সফলতাৰ সঁচাৰকাঠি' ঃ ড° দেৱজিৎ শইকীয়া



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী মহাবিদ্যালয় ছাত্ৰী নিৱাসৰ নৱাগতা আৱাসীসকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ উদ্দেশ্যে বিয়লি মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত এখনি বিশেষ আদৰণী সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে ধূপ-দীপ আৰু কপালত চন্দনৰ তিলক পিন্ধাই নৱাগতা আৱাসীসকলক ছাত্ৰী নিৱাসৰ মুখ্য অধীক্ষক ড° ৰূপজ্যোতি বৰা, মণিটৰ ছায়াশ্ৰী মিছং, ৰেখা ভূঞা আৰু অণিমা হাজৰিকা প্ৰমুখ্যে পুৰণি আৱাসীসকলে আনুষ্ঠানিকভাৱে আদৰণি জনায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰম্ভ হয় ন-পুৰণি আৱাসীসকলৰ দ্বাৰা পৰিৱেশিত সমৱেত সংগীতেৰে। আয়োজক সমিতিৰ আহ্বায়ক মিতালী কলিতাই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মমী দলেয়ে। সভাপতিৰ মন্তব্যত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, 'সাধনাই সফলতাৰ সঁচাৰকাঠি। যিকোনো ক্ষেত্ৰত সফলকাম হ'বলৈ কঠোৰ সাধনাৰ প্ৰয়োজন। একেদিনাই নহয়, দীৰ্ঘদিনীয়া অধ্যৱসায়েই হৈছে জীৱনত জয়ী হোৱাৰ প্ৰকৃত বীজমন্ত্ৰ।' সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা 'আমাৰ অসম' কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক আৰু 'স্বদেশ পটভূমি'ৰ সম্পাদক ৰবীন ভূঞাই কয়, 'সাম্প্ৰতিক প্ৰতিযোগিতাৰ যুগত নিজকে খাপ খুৱাই আগবঢ়াই নিবলৈ শিক্ষাৰ্থীসকল অনুসন্ধিৎসু মনৰ অধিকাৰী হ'ব লাগিব। অনুসন্ধিৎসাই নজনাটো জানিবলৈ আৰু নুবুজাটো বুজিবলৈ শিক্ষাৰ্থীক অনুপ্ৰাণিত কৰি থাকে।' সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষাৰ্থী নিৱাসৰ মুখ্য অধীক্ষক তথা অধ্যাপিকা ড° ৰূপজ্যোতি বৰা, ছাত্ৰী নিৱাসৰ অধীক্ষক অধ্যাপক দীনেশ পেগু, ছাত্ৰাৱাসৰ অধীক্ষক অধ্যাপক আচাৰ্য মোহন দাস, দুলুমণি শইকীয়া, ৰীতা বৰা শইকীয়া, মিলন পেগু, ৰাজেন ফুকন প্ৰমুখ্যে লোকসকল উপস্থিত থাকে পল্লৱী দলেৰ বিহু নৃত্য প্ৰদৰ্শন, প্ৰিয়াংকী গামৰ ৰাভা সংগীত, পলী সেনাপতিৰ আধুনিক নৃত্য আৰু জুলিয়ানা পেগুৰ আধুনিক গীত প্ৰদৰ্শনে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাত ৰেখা পায়েং, মাধৱী হলদাৰ, দীপা হলদাৰ, বাতাসী হলদাৰ, কল্পনা পায়েং, মংগলা পায়েং, প্ৰশান্ত পায়েং, দীপক দাসকে মুখ্য কৰি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# আৰোহণ আঁচনিৰ অধীনত কামৰূপ জিলাৰ ২৬৯ গৰাকী মেণ্টি ছাত্ৰ-ছাত্ৰীৰ দল শিক্ষামূলক ভ্ৰমণৰ বাবে ৰাওণা



**ৰমেন ভৰালী, বংশৰ ঃ** ৰাজ্য চৰকাৰৰ আৰোহণ আঁচনিৰ অধীনত ২০২৫-২৬ বৰ্ষৰ বাবে যোৱা ১০ আগষ্টত কামৰূপৰ সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদৰ পৰা কামৰূপ জিলাৰ ২৬৯ গৰাকী দশম শ্ৰেণীৰ মেণ্টি ছাত্ৰ-ছাত্ৰীৰ এটা দল শিক্ষামূলক ভ্ৰমণৰ বাবে ৰাওণা হয়। সংহত জিলা কাৰ্যালয়ৰ পৰা পতাকা জোকাৰি এই যাত্ৰাৰ ফ্লেগ অফ কৰে কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সুজাতা গগৈয়ে। উল্লেখ্য যে ১০ আগষ্টৰ পৰা ১৩ আগষ্ট পৰ্যন্ত চলিবলগীয়া এই শিক্ষামূলক ভ্ৰমণৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ আই আই টি -গুৱাহাটী, বায়'টেক পাৰ্ক আদি বিভিন্ন আগশাৰীৰ শিক্ষানুষ্ঠানৰ লগতে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, সংগ্ৰহালয় আদি অন্যান্য গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান ভ্ৰমণৰ সুযোগ লাভ কৰিব। কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত সুজাতা গগৈয়ে কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতা আৰু অন্যান্য শিক্ষা বিভাগৰ বিষয়াসকলৰ উপস্থিতিত আনুষ্ঠানিকভাৱে এই যাত্ৰাৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে 'আৰোহণ' আঁচনি হৈছে মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এক বিশেষ কাৰ্যসূচী। এই কাৰ্যসূচীৰ জৰিয়তে মেণ্টি ছাত্ৰ-ছাত্ৰীসকলক এগৰাকী মেণ্টৰৰ জৰিয়তে কেৰিয়াৰ পৰামৰ্শ প্ৰদান, দক্ষতা বিকাশৰ প্ৰয়াস কৰা হৈছে। লগতে এই আঁচনিৰ জৰিয়তে মেণ্টিসকলে যাতে কেৰিয়াৰ গঠনত সঠিক দিশ নিৰ্ণয় কৰিব পাৰে তাৰ বাবে যাৱতীয় পৰামৰ্শ প্ৰদানৰ প্ৰয়াস কৰা হৈছে। এই আঁচনিৰ জৰিয়তে সেই সকল মেধাৱী শিক্ষাৰ্থীক জ্ঞান, অন্বেষণ আৰু শিক্ষামূলক ভ্ৰমণৰ জৰিয়তে নিজৰ সুপ্ত প্ৰতিভা বিকাশৰ এখন মঞ্চ প্ৰদান কৰা হয়। ইয়াৰ দ্বাৰা তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি হোৱাত সহায়ক হ'ব আৰু তেওঁলোকে ন ন সৃষ্টিৰ জগতখনৰ লগত পৰিচিত হোৱাৰ সুযোগ লাভ কৰিব।

# চুটিগল্পৰ পৃথিৱী, অসমৰ প্ৰথমখন সতীৰ্থ সন্মিলনত- সাহিত্য অকাডেমি বঁটা প্ৰাপক জয়ন্ত মাধৱ বৰা

## ‘লক্ষ্মীনাথ বেজবৰুৱাৰ অসমীয়া চুটিগল্পৰ নিজস্ব বৈশিষ্ট্য আৰু স্বকীয় গৰিমাৰে আজিও উজ্বলি আছে’ ঃ জয়ন্ত মাধৱ বৰা




**ৰমেন ভৰালী, বংশৰ ঃ** ‘লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ সৌধ নিৰ্মাণৰ কামত ব্ৰতী আছিল। ‘লক্ষ্মীনাথ বেজবৰুৱাৰ অসমীয়া চুটিগল্পৰ নিজস্ব বৈশিষ্ট্য আৰু স্বকীয় গৰিমাৰে আজিও উজ্বলি আছে’। এই ভাষ্য বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক, সাহিত্য অকাডেমি বঁটা প্ৰাপক শ্ৰদ্ধাৰ জয়ন্ত মাধৱ বৰাৰ। যোৱা ১০ আগষ্টত গুৱাহাটীস্থিত অসম সাহিত্য সভাৰ ভাগৱতী প্ৰসাদ বৰুৱা ভৱনৰ মহেন্দ্ৰ বৰা সভাগৃহত চুটিগল্পৰ পৃথিৱী, অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰমেন ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত এখন সতীৰ্থ সন্মিলনত মুখ্য অতিথিৰ ভাষণত এনদৰে কয়। চুটিগল্পৰ পৃথিৱী, অসমৰ প্ৰথমখন সতীৰ্থ সন্মিলনত কামৰূপ মহানগৰ, কামৰূপ, নলবাৰী, দৰং, বৰপেটা, নগাঁও, মৰিগাঁও, হোজাই, বজালী, ওদালগুৰি, গোৱালপাৰা আদিৰ জিলা শাখাৰ সতীৰ্থসকলৰ মাজত অনুষ্ঠিত এই সতীৰ্থ সন্মিলনত চুটিগল্পৰ পৃথিৱী, অসমৰ সতীৰ্থ সকলৰ লগত মত বিনিময়ৰ এক বৰ্ণিল কাৰ্যসূচী ৰূপায়ণ কৰা অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ‘চুটিগল্পৰ পৃথিৱী, অসম’ৰ উপদেষ্টা তথা বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক, সাহিত্য অকাডেমি বঁটা প্ৰাপক শ্ৰদ্ধাৰ জয়ন্ত মাধৱ বৰাই তেখেতৰ ভাষণ প্ৰসংগত আৰু কয় যে এক ব্যতিক্ৰমী চিন্তা চৰ্চাৰে চুটিগল্পৰ পৃথিৱী, অসমে আগবাঢ়িছে, ই সঁচাকৈ শুভ লক্ষণ। এই সাহিত্যানুষ্ঠানটিয়ে যি মহৎ উদেশ্যে আৰু লক্ষ্যৰে আগবাঢ়িছে চুটিগল্পৰ পাঠক সমাজৰ বাবে ভাল খবৰ বুলি কয়, তেখেতে ভাষণ প্ৰসংগত আৰু কয় যে চুটিগল্পৰ পৃথিৱী, অসমে ন-পুৰণি লেখক-লেখিকাৰ দ্বাৰা স্বৰচিত চুটিগল্পৰ এখন সংকলন প্ৰকাশৰ যি পৰিকল্পনা কৰিছে ই সঁচাকৈ আদৰণীয় পদক্ষেপ আৰু ইয়াক স্বাকাৰ ৰূপ দিবলৈ পৰামৰ্শ আগবঢ়ায়। সাহিত্য অকাডেমি বঁটা লাভ কৰা বৰাদেৱে চুটিগল্পৰ লিখন শৈলী, চুটিগল্পৰ বৈশিষ্ট্য আদিৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। চুটিগল্পৰ পৃথিৱী, অসমৰ উপ-সভাপতি তথা সংকলন সম্পাদিকা, বিশিষ্টা লেখিকা পূৰৱী বৰুৱা ফুকন সতীৰ্থ সন্মিলনৰ আঁতধৰি কয় যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল- ‘কামৰূপা মোৰ সুৱদি সুৱীয়া অসমীয়া ভাষা জগত সভালৈ যাব, উজ্বল সুজ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হ’ব’। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ এই কথাষাৰকে সাৰোগত কৰি অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত চুটিগল্পৰ প্ৰচাৰ আৰু প্ৰসাৰতা তথা পাঠক আৰু লেখক সৃষ্টিৰ প্ৰয়াসেৰে গঠিত ‘চুটিগল্পৰ পৃথিৱী, অসম’ৰ জন্ম। এই চুটিগল্পৰ পৃথিৱীৰ মঞ্চখনক আগবঢ়ায় লৈ যাবলৈ সকলোৰে সহায়, সহযোগিতা আৰু অনুষ্ঠানটিৰ লগত সংপৃক্ত হ’বলৈ আহ্বান জনায়। চুটিগল্পৰ পৃথিৱী, অসমৰ মুখ্য সম্পাদক ৰন্টু ৰঞ্জন কলিতাই সতীৰ্থ সন্মিলনৰ উদেশ্যে ব্যাখ্যা কৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে বিশিষ্ট সাহিত্যিক তথা ভাষা পাব্লিকেচনৰ অধ্যক্ষ মুকুট শৰ্মাই উপস্থিত থাকি চুটিগল্পৰ পৃথিৱী, অসমৰ লগত জড়িত হ’বলৈ পাই ধন্য মানিছো বুলি কয় আৰু ভৱিষ্যতে চুটিগল্পৰ এই মঞ্চখনক আগবঢ়ায় নিবলৈ সহযোগ কৰিব বুলি কয়। সতীৰ্থ সন্মিলনত অসম আবৃত্তি আৰু সাংস্কৃতিক পৰিষদৰ কাৰ্যকৰী সভাপতি ড° হিতেশ গোস্বামী উপস্থিত থাকি অনুষ্ঠানটিলৈ সম্পূৰ্ণ সহায়-সহযোগেৰে কাম কৰিব কয়। সভাপতিৰ ভাষণত চুটিগল্পৰ পৃথিৱী, অসমৰ সভাপতি ৰমেন ভৰালীয়ে কয় যে এজন ভাল লেখক হ’বলৈ হ’লে প্ৰথমে এজন ভাল পাঠক হ’ব লাগিব বুলি কৈ সকলোৰে সহায় সহযোগত এই সাহিত্যানুষ্ঠানটিক সুচিন্তাৰে সমৃদ্ধি কৰি সোণখেৰীয়া যাত্ৰাপথেৰে আগবঢ়ায় নিবলৈ চেষ্টা কৰিব বুলি কয় আৰু এই অনুষ্ঠানটিৰ লগত সংপৃক্ত হ’বলৈ আহ্বান জনায়। সতীৰ্থ সন্মিলনত শলাগ জ্ঞাপন কৰে চুটিগল্পৰ পৃথিৱী, অসমৰ মুখ্য সম্পাদক ৰন্টু ৰঞ্জন কলিতাই। সতীৰ্থ সন্মিলনত বিভিন্ন জিলাৰ পৰা অহা সতীৰ্থসকলে বিভিন্ন ধৰণেৰে মত বিনিময় কৰি চুটিগল্পৰ বিষয়ে জানিব আগ্ৰহ প্ৰকাশ কৰে আৰু মত বিনিময় অনুষ্ঠানত সাহিত্য অকাডেমি বঁটা প্ৰাপক জয়ন্ত মাধৱ বৰাই সকলোকে মুগ্ধ কৰে।

# কন্দলীত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে নগাঁও জিলা হাইস্কুল শিক্ষক সংস্থাৰ অধিবেশনৰ সামৰণি




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** তিনিদিনীয়া কায্যসূচীৰে নগাঁও জিলাৰ কন্দলীৰ নিবুকালি অনন্ত কন্দলি হাইস্কুলত যোৱা ৭ আগষ্টৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা নগাঁও জিলা হাইস্কুল শিক্ষক সংস্থাৰ ৪২ সংখ্যক পূৰ্ণাংগ অধিবেশনৰ ৯ আগষ্টত সামৰণি পৰে। পুৱাৰ ভাগত বিভিন্ন জাতি জনগোষ্ঠীৰ সাজপাৰ পৰিধানেৰে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা এক বিশাল বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰি দিয়া ভাষণত নগাঁও জিলাৰ আয়ুক্ত দেবাশীষ শৰ্মাই জাতি জনগোষ্ঠীৰ মিলন ভূমি এই অনন্ত কন্দলী হাইস্কুলৰ নৰহৰি ডেকাৰজা ক্ষেত্ৰত অনুষ্ঠিত হোৱা হাইস্কুল শিক্ষক সংস্থাৰ পূৰ্ণাংগ অধিৱেশনে শিক্ষক-ছাত্ৰৰ এক মধুৰ সমন্বয়ৰ ভেটি গঢ়ি তুলিব বুলি বক্তব্য আগবঢ়ায়। শিক্ষাগুৰুসকলক নিজৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনোৱাৰ লগতে এখন সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত নিজকে আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। বিয়লি নগাঁও জিলা হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি ৰঞ্জিত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰে জিলা সম্পাদক যগেশ্বৰ ৰাজখোৱাই। মুকলি সভাৰ উদ্বোধনী ভাষণত বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীসকলক মানুহ বনুৱাৰ ক্ষেত্ৰত যি অহোপুৰুষাৰ্থ কৰি আহিছে তাৰ বাবে শিক্ষাগুৰুসকল সেৱাৰ পাত্ৰ বুলি কয়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই শিক্ষা গুৰুসকলৰ মহান কৰ্মসেৱাক আদৰণি জনায়। এই সভাতে নগাঁও জিলা হাইস্কুল শিক্ষক সংস্থাৰ মুখপত্ৰ উন্মোচন কৰে সাংসদ তাছাই। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি চামগুৰি সমষ্টিৰ বিধায়ক ডিপ্লুৰঞ্জন শৰ্মাই গুৰু শিষ্যৰ পুৰণি যি সম্পৰ্ক বৰ্তমান অৱক্ষয় ঘটিছে বুলি কৈ শিক্ষাৰ্থীসকলক নৈতিক শিক্ষাৰে শিক্ষাদান কৰাৰ বাবে শিক্ষাগুৰুসকলক আহ্বান জনায়। সভাত মৰিগাঁও তিৱা স্বায়ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, হাইস্কুল শিক্ষক সংস্থাৰ সহকাৰী সম্পাদক ৰাকেশ শৰ্মা, সত্য তালুকদাৰ, প্ৰধান শিক্ষক বাপধন নাথ, বকুল নাথ মিন্টু শৰ্মা ৰাতুল বৰাকে ধৰি বিশিষ্ট ব্যক্তিসকল। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসম হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি সুনন্দ কলিতাই পূৰ্বৰ পৰা শিক্ষকসকলে ভুগি অহা বিভিন্ন সমস্যা সমূহ সমাধানৰ বাবে হাইস্কুল শিক্ষক সংস্থাই লোৱা বলিষ্ঠ পদক্ষেপৰ বিষয়ত বক্তব্য আগবঢ়ায়। হাইস্কুল সংস্থাই চৰকাৰৰ সতে দাবী আৰু আলোচনাৰ মাজেৰে সকলো সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে সভাপতিগৰাকীয়ে।

# কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস সম্পন্ন

## লোক কৃষ্টিয়েই জাতিৰ পৰিচয় ৰক্ষা কৰে ঃ প্ৰকাশ দাস





**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি যোৱা ৯ আগষ্টত বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আলোচনা-চক্ৰৰ লগতে বটাঁ প্ৰদান আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ প্ৰতিষ্ঠা দিৱসৰ লগতে ছাত্ৰ-ছাত্ৰী তথা নৱ প্ৰজন্মৰ বৌদ্ধিক বিকাশৰ উদ্দেশ্যৰে অনুষ্ঠিত কৰা হয় এখন আলোচনা-চক্ৰ। বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদ্যালয়ৰ অধ্যক্ষ আজিত কুমাৰ বৈশ্যৰ সভাপতিত্বত “সাম্প্ৰতিক সময়ত অসমৰ থলুৱা কৃষ্টি-সংস্কৃতিৰ প্ৰতি নৱ প্ৰজন্মৰ আগ্ৰহ, সংবাদ মাধ্যম আৰু সমাজৰ ভূমিকা’ শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনা-চক্ৰখনিত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে জনপ্ৰিয় টিভি এংকৰ এন কে টিভিৰ প্লাচৰ সাংবাদিক পাৰ্থ প্ৰতিম শৰ্মা, প্ৰতিদিন টাইমৰ এংকৰ তথা অনুষ্ঠান পৰিৱেশিকা সাংবাদিক হিমাক্ষী বৰুৱাৰ লগতে অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট সমাজসেৱক প্ৰকাশ দাস। সভাত অংশগ্ৰহণ কৰি তেওঁ কয় যে লোক কৃষ্টি হৈছে জাতিৰ পৰিচয় বা এটা জাতিৰ ৰক্ষা কৰে। আমাৰ নৱপ্ৰজন্মই মাতৃভাষা আৰু লোক কৃষ্টিৰ সাধনাৰ লগতে প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জাতীয় দায়িত্ব পালন কৰিব পাৰিব লাগিব। কামৰূপ সাংবাদিক ঐক্য মঞ্চই প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা আলোচনা বিষয়টি সময় উপযোগী হোৱা বুলিও মন্তব্য কৰে। বিশিষ্ট যুৱ সমাজ কৰ্মী ৰাজীৱ দাসে সভাত অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত গ্ৰীণ অস্কাৰ বঁটাপ্ৰাপ্ত, বিশিষ্টা সমাজকৰ্মী, হাৰগিলা আৰ্মী ৰূপে খ্যাত ড° পূৰ্ণিমা দেৱী বৰ্মনক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে, বিশিষ্টা সাংস্কৃতিক কৰ্মী, অভিনেত্ৰী ৰূপা বৰকটকীক গণ শিল্পী বীৰেন দাস স্মাৰক সাংস্কৃতিক বঁটা প্ৰদান কৰা হয়। গণশিল্পী বীৰেন দাস স্মাৰক সাংস্কৃতিক বঁটা গ্ৰহণ কৰি বিশিষ্টা সাংস্কৃতিক কৰ্মী তথা অভিনেত্ৰী ৰূপা বৰকটকীয়ে এনে বঁটা আৰু সন্মানে সমাজৰ হকে কাম কৰাৰ অনুপ্ৰেৰণা যোগায় বুলি কয় আৰু এই বঁটাই মন পুলকিত কৰাৰ লগতে আহ্লাদিত কৰিছে বুলি কয়। অনুষ্ঠানত গ্ৰীণ অস্কাৰ বঁটাপ্ৰাপ্ত, বিশিষ্টা সমাজকৰ্মী, হাৰগিলা আৰ্মী ৰূপে খ্যাত ড° পূৰ্ণিমা দেৱী বৰ্মনয়ে বিশেষভাৱে সম্বৰ্ধনা গ্ৰহণ কৰি বিলুপ্তি হ’বলৈ ধৰা হাড়গিলাৰ অংগীভংগীৰে মানৱ সমাজত হাড়গিলাৰ সংৰক্ষণ সম্পৰ্কে বিস্তাৰিতভাৱে কয় আৰু হাড়গিলাৰ সংৰক্ষণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত প্ৰাক্তন আছু নেতা সমাজকৰ্মী দিবাকৰ কলিতা, হেমন্ত কলিতা, গাঁওপ্ৰধান কেশৱ বৈশ্য, হৰ্ষবৰ্ধন কাশ্যপ আদি উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক তথা সাংবাদিক ৰমেন ভৰালী, সাংবাদিক দিলীপ মেধি, হৰিপ্ৰসাদ দাস, প্ৰবীণ কুমাৰ দাস, ৰত্নকুমাৰ, ৰাজা মেধি, সমাজকৰ্মী সুভাষ বৈশ্য, শিক্ষক তথা লেখক কবি নিত্যানন্দ নাথ আদিকো সম্বৰ্ধনা জনায়। অনুষ্ঠানত আতুৰ ৰিংকুমণি দাস, নয়ন মণি বণিয়া, বিকাং দাসৰ লগতে বংশৰ আৰু দদৰাৰ আই মাতৃ সংগঠনৰ সদস্য, হাড়গিলা আৰ্মী সদস্য তথা অঞ্চলটো জ্যেষ্ঠ সাংবাদিকসকলৰ লগতে বহুকেই গৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে সাংবাদিক তথা সম্পাদক মৃনাল ডেকাই।

## নগাঁৱৰ ভেৰভৰী নেধাৰ গাঁৱত ব্যায়ামাগাৰ মুকলি

### শৰীৰ চৰ্চাই আমাক এটা শক্তিশালী মন দিয়ে, যোগাত্মক কৰি তোলে ঃ আঙুৰলতা ডেকা



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ভেৰভেৰী নেধাৰগাৱঁত যোৱা ৯ আগষ্টত 'ৰিয়া ফিটনেছ' ক্লাব নামেৰে এটি অত্যাধুনিক ব্যায়ামাগাৰ মুকলি কৰা হয়। স্থানীয় উদ্যমী যুৱক বিক্ৰমজিৎ সিঙৰ একান্ত প্ৰচেষ্টাত তেওঁ নিজ গৃহতে স্থাপন হোৱা ব্যায়ামাগাৰৰ শুভ উদ্বোধন কৰে অসম মহিলা আয়োগৰ অধ্যক্ষা তথা অভিনেত্ৰী আঙুৰলতা ডেকা আৰু জেষ্ঠ সাংবাদিক সুনীল বৰাই। শৰীৰ চৰ্চা কেন্দ্ৰটোৰ শুভ উদ্বোধন কৰি প্ৰাক্তন বিধায়কা আঙুৰলতা ডেকাই সাংবাদিকৰ হোৱা কথা বতৰাত কয়-বৰ্তমান স্থিৰতাবিহীন আমাৰ এই সমাজখনত সকলো ফালৰ পৰা নিজকে নিয়ন্ত্ৰণ কৰি বিশেষকৈ মনটোক নিয়ন্ত্ৰণ কৰি প্ৰণালীবদ্ধ এটা জীৱন যাপনেৰে জীৱনটোক কেনেদৰে সফল কৰিব পাৰি। অনুষ্ঠানৰ উপস্থিত থাকি বিশিষ্ট শৰীৰ চৰ্চাবিদ গৌতম কলিতাই কয়-বৰ্তমান সময়ত প্ৰতিজন ব্যক্তিয়েই নিজকে সুস্থ-সবল ব্যক্তি হিচাপে জীৱন যাপন কৰিবলৈ শৰীৰ চৰ্চাৰ একান্তই প্ৰয়োজন। এই ক্ষেত্ৰত গ্ৰামাঞ্চলত স্থাপন হোৱা এনে ব্যায়ামাগাৰে অঞ্চলটোলৈ এক আশাৰ বতৰা কঢ়িয়াই আনিছে বুলি ভাষণত তেওঁ উল্লেখ কৰে। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক সুনীল বৰাই এই অত্যাধুনিক ব্যায়ামাগাৰৰ জৰিয়তে গ্ৰামাঞ্চলৰ যুৱক-যুৱতীসকলে স্বাস্থ্যৰ যতন লোৱাত সহায় হ'ব বুলি মন্তব্য কৰে। অনুষ্ঠানটোত ডেৰ শতাধিক লোক উপস্থিত আছিল। অনুষ্ঠানৰ শেষৰপিনে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই অংশগ্ৰহণ কৰে।

### নদুৱাৰ সমষ্টিৰ অন্তৰ্গত ৰঙাচকুৱাত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ অসম চাহ জনগোষ্ঠী সাহিত্য সভা আৰু নদুৱাৰ শাখাৰ যৌথ উদ্যোগত আয়োজিত অভিনন্দন সভা সম্পন্ন

## মুখ্য অতিথি বিধায়ক পদ্ম হাজৰিকাৰ উপস্থিতিত তিনি শতাধিক চাহ জনগোষ্ঠীয় মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন



**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি হিচাপে পৰিচিত বৃহত্তৰ ৰঙাচকুৱাত অৱস্থিত সামূহিক ভৱনৰ প্ৰাঙ্গণত দেওবাৰে দিনযোৰা কাৰ্যসূচীৰে (আটছা) অসম চাহ জনজাতি ছাত্ৰ সন্থা, অসম চাহ জনগোষ্ঠী সাহিত্য সভা আৰু নদুৱাৰ শাখাৰ যৌথ উদ্যোগত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে নদুৱাৰ বিধান সভা সমষ্টিৰ জনপ্ৰিয় বিধায়ক তথা ভৰলীকোঁৱৰ উপাধিৰে বিভূষিত পদ্ম হাজৰিকাই। উক্ত সভাত বিধায়কগৰাকীক অসম চাহ জনজাতি ছাত্ৰ সন্থা, অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ সমূহ বিষয়ববীয়াসকলে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত বিধায়কগৰাকীৰ হাতেৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা তিনি শতাধিক চাহ জনগোষ্ঠীয় মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। লগতে চাহ জনগোষ্ঠীয় বহু কেইজন অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীকো উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত উপস্থিত থকা বহু কেইজন চাহ জনগোষ্ঠীৰ ছাত্ৰ নেতা তথা সাহিত্য কৰ্মীৰ লগত মত বিনিময় কৰে বিধায়ক পদ্ম হাজৰিকাই। বিষয়ববীয়াসকলে চাহ জনগোষ্ঠীটোক সকলো দিশতে আগবঢ়াই লৈ যোৱাৰ বাবে তেওঁলোকৰ সঙ্কল্প আৰু দৃঢ়তাৰ বিষয়ে নেতাসকলে বিধায়কগৰাকীক অৱগত কৰে। ইয়াৰ লগতে ইটাখোলাত 'আটছা'ৰ নদুৱাৰ শাখাৰ এটি কাৰ্যালয় স্থাপন কৰাৰ বাবে বিধায়ক পুঁজিৰ পৰা পাঁচ লাখ টকাৰ অনুদান দিয়াৰ বিষয়ে বিধায়কগৰাকীয়ে ঘোষণা কৰে।

সভাত 'আটছা'ৰ কেন্দ্ৰীয় সভাপতি ধীৰাজ গোৱালা, চাহ জনগোষ্ঠী সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি সঞ্জয় কুমাৰ তাঁতী, 'আটছা'ৰ বিশ্বনাথ জিলাৰ সভাপতি আৰু সম্পাদক ক্ৰমে ধীৰাজ তাঁতী আৰু নিলোৎপল ৰবি দাস, চাহ জনগোষ্ঠী সাহিত্য সভাৰ শোণিতপুৰ জিলাৰ সভাপতি আৰু সম্পাদক ক্ৰমে অনিল কুৰ্মী, দৌলত ৰাজোৱাৰ, কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক অয়বন তাঁতী আৰু প্ৰচাৰ সম্পাদক মিন্টু ভুমিজ, চাহ জনগোষ্ঠী সাহিত্য সভা নদুৱাৰ শাখাৰ সভাপতি দিলীপ সেনাপতি, সম্পাদক বোনাচ ৰাজোৱাৰ, নদুৱাৰ শাখাৰ সভাপতি ৰাধে শ্যাম তাঁতী, সম্পাদক গিৰীন্দ্ৰ কুৰ্মী আৰু সমাজকৰ্মী নিতুমনি বৰাই অংশগ্ৰহণ কৰে।

## তেজপুৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস উদ্‌যাপন




**চন্দন শৰ্মা, তেজপুৰ ঃ** তেজপুৰ মহাবিদ্যালয়ৰ ঈশ্বৰ প্ৰসাদ চৌধুৰী সভাগৃহত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস উদ্‌যাপন কৰা হয়। ভাৰতবৰ্ষৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ এচ. আৰ. ৰংগনাথনৰ জন্মদিনটো অসম মহাবিদ্যালয় গ্ৰন্থাগৰিক সংস্থাৰ শোণিতপুৰ আৰু নগাঁও গোটৰ উদ্যোগত আৰু তেজপুৰ মহাবিদ্যালয়ৰ চন্দ্ৰ মোহন মেধি গ্ৰন্থাগাৰ লগতে তেজপুৰ মহাবিদ্যালৰ আভ্যন্তৰীণ মান নিয়ন্ত্ৰণ কোষৰ সহযোগত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ দিৱসটি উলহ মালহেৰে অনুষ্ঠিত হৈ যায়। আৰম্ভণিতে ৰঙাপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক তথা বালিপৰা আদৰ্শ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বাদল চন্দ্ৰ দেৱে বন্তি প্ৰজ্জলনৰে অনুষ্ঠানটিৰ শুভ আৰম্ভ কৰে। তেজপুৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° মিতালী গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটি তেজপুৰ মহাবিদ্যালয় সংগীত আৰু অসম মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক সংস্থাৰ সংগীত পৰিৱেশন কৰা হয়। আদৰণি ভাষণ প্ৰদান কৰি তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ হাজৰিকাই গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ এচ. আৰ. ৰংগনাথনৰ অৱদানৰ বিষয়ে অৱগত কৰাৰ লগতে সমূহ গ্ৰন্থাগাৰিকক ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱসৰ আন্তৰিক শুভকামনা জ্ঞাপন কৰে। অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সংস্থা ( ACLA)ৰ সাধাৰণ সম্পাদক ড° বীৰেন চন্দ্ৰ পালে সংস্থাৰ কৰ্মৰাজিৰ বিষয়ে আলোচনা আগবঢ়ায়। দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক অঞ্জু শইকীয়া হাজৰিকাই গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ এচ. আৰ. ৰংগনাথনৰ জীৱনৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত খাৰুপেটীয়া মহাবিদ্যালয়ৰ গ্ৰন্থাগৰিক তথা অনাতাঁৰ শিল্পী জীৱেন্দ্ৰ মোহন দেৱশৰ্মাই সুমধুৰ গীতেৰে সকলোকে আপ্লুত কৰে। ৰংগনাথনৰ স্মৃতিত সশ্ৰদ্ধ প্ৰণিপাত জনাই তেখেতৰ জীৱনৰ ওপৰত লিখা এটা স্বৰচিত কবিতা পাঠ কৰে তেজপুৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° মিতালী গোস্বামীয়ে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন কৰ্মশালাৰো আয়োজন কৰা হয়। 'শিক্ষা আৰু গৱেষণাত কৃত্ৰিম বুদ্ধিমত্তাৰ (AI) প্ৰয়োগ' শীৰ্ষক বিষয়ৰ কৰ্মশালাত ড° বীৰেন্দ্ৰ পাল আৰু শিৱসাগৰৰ নামতিৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° বিদ্যুৎ বিকাশ বৰুৱাই সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰে। ৰঙাপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক তথা ACLAৰ শোণিতপুৰ মণ্ডলৰ সমন্বয়ক ৰম্যজোতি আৰন্ধৰাই সামৰণি ভাষণ প্ৰদান কৰাৰ লগতে ACLAৰ নগাঁও মণ্ডলৰ (zone)ৰ সমন্বয় বা তথা ৰহা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ৰাজাশ্ৰী বৰদলৈয়ে শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানৰ সামৰণি পৰে।

## বঢ়মপুৰত উৰিয়া গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠানত ৫০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

### আছুৰ অভিনন্দন অনুষ্ঠানটো এক নীৰৱ তথা ইতিবাচক আন্দোলন ঃ ত্ৰিদিৱ ভাগৱতী



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বঢ়মপুৰ শাখা ছাত্ৰ সন্থাৰ সহযোগত যোৱা ৯ আগষ্টত বঢ়মপুৰস্থিত শ্ৰীমন্ত শংকৰ মিছন অন্ধ উচ্চ মাধ্যমিক বিদ্যালয়ত বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ মেধাৱী শিক্ষাৰ্থীসকলক উৎসাহ যোগোৱাৰ উদ্দেশৰে আয়োজন কৰা অনুষ্ঠানটোৰ সভাত সভাপতিত্ব কৰে নগাঁও জিলাৰ ছাত্ৰ সন্থাৰ উপদেষ্টা নিতুল বনিয়াই। নগাঁও মহকুমা ছাত্ৰ সন্থাৰ উপ-সভাপতি বেদান্ত ৰক্তিম বৰাই আঁত ধৰা সভাখন উদ্বোধন কৰি সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মৃগাংক শেখৰ ভৰালী হাজৰিকাই ভাষণত কয়-ছাত্ৰ সন্থাই অভিনন্দন জনোৱা এই মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে অশেষ কষ্ট, শ্ৰম আৰু একাগ্ৰতাৰ যোগেদি সফলতা লাভ কৰিছে। ভৱিষ্যতেও শিক্ষাৰ্থীসকলে দুগুণ উৎসাহেৰে শৈক্ষিক দিশত মনোনিৱেশ কৰি সফলতাৰ ধাৰাবাহিকতা আজুৰি আনিব লাগিব। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিদ্যায়তনিক দিশত আগুৱাই যোৱাৰ সমান্তৰালকৈ নিজৰ মাতৃভাষাৰ লগতে জাতিটোৰ সুৰক্ষাৰ স্বাৰ্থত নিজকে সমৰ্পিত কৰি সমাজখনক উন্নতিৰ জখলাত আগবঢ়াই নিব লাগিব বুলি ভাষণত উল্লেখ কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক ত্ৰিদিৱ ভাগৱতীয়ে কয়- আছুৱে দীৰ্ঘদিন সময় ধৰি মেধাৱী শিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যৰে অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰি এক নীৰৱ তথা ইতিবাচক আন্দোলন গঢ়ি তুলিছে। মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক ছাত্ৰ সন্থাই বিশেষ অভিনন্দন অনুষ্ঠানত প্ৰদান অভিনন্দন পত্ৰখন এক সামাজিক স্বীকৃতি। বঢ়মপুৰ শাখা সন্থাৰ সাধাৰণ সম্পাদক ধীৰাজ বৰাই উদ্দেশ্যে বাখ্যা কৰা সভাখনত ভাষণত নিৰ্দিষ্ট বক্তা ভাগৱতীয়ে আৰু কয়- বৰ্তমান সময়ত অসমীয়া ভাষাত কথা কোৱা আৰু কিতাপ পঢ়া মানুহৰ সংখ্যা দিনক দিনে কমি আহিছে। অসমীয়া ভাষাত কথা কোৱা মানুহৰ সংখ্যা ৪৮.৩৮ শতাংশ ই আমাৰ জাতিটোৰ বাবে উদ্বেগজনক কথা। গতিকে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ জাতিটোক আগুৱাই নিয়াৰ স্বাৰ্থত সমাজখনৰ প্ৰতি দায়বদ্ধ হৈ ইতিবাচক মনোভাৱেৰে কাম কৰি যাব লাগিব বুলি ভাষণত ভাগৱতীয়ে মন্তব্য কৰে। সভাত শ্ৰীমন্ত শংকৰ মিছন অন্ধ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়ত্ৰী গুণ বৰাই ভাষণত ছাত্ৰ সন্থাই কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ এনে পদক্ষেপক শলাগ লোৱাৰ উপৰিও ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ কামত নিজকে আত্মনিয়োগ কৰি সামাজিক দায়বদ্ধতাৰ পৰিচয় দিবৰ বাবে আহ্বান জনায়। অনুষ্ঠানত ৫০ গৰাকী মেধাৱী শিক্ষাৰ্থীক গামোছা আৰু অভিনন্দন-পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সভাত নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত বৰা, সাধাৰণ সম্পাদক কংকন জ্যোতি বৰুৱা, সহঃ সম্পাদক বিক্ৰম হাজৰিকা, সাংগঠনিক সম্পাদক সীমান্ত বৰা, নগাঁও মহকুমাৰ সাধাৰণ সম্পাদক জ্যোতিষ্মান বৰুৱা, সাংবাদিক নিপুল বৰা, অপূৰ্ব হাজৰিকা, ৰিতু নেওগ, নগাঁও জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন বিষয়ববীয়া জনাৰ্দ্দন গোস্বামী, উৰিয়া গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা শৰৎ গগৈকে ধৰি বহু লোক উপস্থিত আছিল। সভাত শ্ৰীমন্ত শংকৰ মিছন অন্ধ বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৬ গৰাকী কৃতী শিক্ষাৰ্থীক স্কুল কৰ্তৃপক্ষৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

# গুৱাহাটী বিশ্ববিদ্যালয়ত নৰেন্দ্ৰনাথ ভট্টাচাৰ্য আৰু মীৰা ভট্টাচাৰ্য সোঁৱৰণী সাহিত্য অনুষ্ঠান আৰু গ্ৰন্থ উন্মোচন সমাৰোহ

**ৰমেন ভৰালী, বংশৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগ আৰু ইংৰাজী ভাষা শিক্ষণ বিভাগৰ যৌথ সহযোগত যোৱা ৮ আগষ্টত অধ্যাপক নৰেন্দ্ৰনাথ ভট্টাচাৰ্য আৰু মীৰা ভট্টাচাৰ্য সোঁৱৰণী সাহিত্য অনুষ্ঠান আৰু গ্ৰন্থ উন্মোচন সমাৰোহ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° ননী গোপাল মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এক গুৰুত্বপূৰ্ণ শৈক্ষিক আৰু সাহিত্যিক অনুষ্ঠানও অনুষ্ঠিত হয়। এই অনুষ্ঠানটিত আছিল অধ্যাপক নৰেন্দ্ৰনাথ ভট্টাচাৰ্য সোঁৱৰণী 'ইনস্পায়াৰ' ফেল'শ্বিপ আৰু মীৰা ভট্টাচাৰ্য সোঁৱৰণী বঁটা বিতৰণ আৰু গ্ৰন্থ উন্মোচন সমাৰোহ। আবেলি ৩.০০ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানটি ড° ধনজিৎ ডেকাৰ পৰিচয়মূলক ভাষণৰে আৰম্ভ হৈছিল। অনুষ্ঠানটোৰ মূল উদ্দেশ্য আছিল প্ৰতিষ্ঠিত অধ্যাপক নৰেন্দ্ৰনাথ ভট্টাচাৰ্য আৰু মীৰা ভট্টাচাৰ্য সোঁৱৰণী ফেল'শ্বিপ বঁটা বিতৰণ আৰু এখন নতুন গ্ৰন্থৰ আনুষ্ঠানিক উন্মোচন। উন্মোচনীত গ্ৰন্থখনৰ নাম হৈছে "Sustainability in South Asian Cities", যিখন অধ্যাপক সুভাষ আনন্দ, ড° ঋতুপৰ্ণা ভট্টাচাৰ্য, অধ্যাপক মধুশ্ৰী দাস, অধ্যাপক তুলসী কুমাৰ দাস আৰু অধ্যাপক পুষ্কৰ কে প্ৰধানৰ দ্বাৰা সহ-সম্পাদিত। গ্ৰন্থখন স্প্ৰিংগাৰ নেচাৰে প্ৰকাশ কৰিছে। কাৰ্যসূচীত শৈক্ষিক উৎকৰ্ষ আৰু সাহিত্যিকৰ অৱদানক সন্মান জনোৱাৰ বাবে সজাই তোলা হৈছিল। অনুষ্ঠানটো সৰস্বতী বন্দনাৰে আৰম্ভ হৈছিল আৰু অতিথিসকলক সম্বৰ্ধনা জনোৱা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ধ্ৰুৱজ্যোতি চহৰীয়াই আদৰণি ভাষণ প্ৰদান কৰি অনুষ্ঠানটোৰ বিষয়ে বিতংভাৱে ভাষণত উল্লেখ কৰিছিল। বিশিষ্টা শিক্ষাৱতী ড° ঋতুপৰ্ণা ভট্টাচাৰ্য, SFHEA, FRGS-এ ভাষণত নিজৰ পিতৃৰ অধ্যাপক নৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ ব্যক্তিত্বৰ আৱেগিক বৰ্ণনাৰ লগতে বঁটাসমূহৰ বিতং বিৱৰণ দাঙি ধৰিছিল। তেজপুৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা অধ্যাপক নৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ ছাত্ৰী তথা তেজপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° চাৰু চহৰীয়াই প্ৰয়াত অধ্যাপক নৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ জীৱন আৰু উত্তৰাধিকাৰৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক তথা প্ৰাক্তন মুৰব্বী অধ্যাপক মধুশ্ৰী দাসে নতুনকৈ উন্মোচিত গ্ৰন্থখনৰ বিষয়ে বক্তব্য আগবঢ়াইছিল। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য অধ্যাপক ড° ননী গোপাল মহন্তই নিজৰ ভাষণত অধ্যাপক নৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ শৈক্ষিক অৱদানৰ লগতে প্ৰয়াত মীৰা ভট্টাচাৰ্যৰ উত্তৰাধিকাৰৰো প্ৰশংসা কৰে। প্ৰয়াত মীৰা ভট্টাচাৰ্যই ডলিবাৰী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হিচাপে অৱসৰ গ্ৰহণ কৰি তেখেতে নাৰী শক্তিৰ এক মূৰ্ত প্ৰতীক আছিল বুলি কয়, যিয়ে উচ্চ মাধ্যমিক বিদ্যালয়খন গঢ়ি তোলাৰ উপৰিও ছোৱালীৰ শিক্ষাৰ সৰলীকৰণৰ বাবেও কাম কৰিছিল বুলি কয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী ভাষা শিক্ষণ বিভাগৰ মুৰব্বী অধ্যাপক পদ্মিনী ভূঞা বৰুৱাইও ভাষণ প্ৰদান কৰিছিল। অনুষ্ঠানত কেইবাজনো বঁটাপ্ৰাপকক স্বীকৃতি প্ৰদান কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পি.এইচ.ডি. গৱেষক ছাত্ৰী নিবিৰ তালুকদাৰক নৰেন্দ্ৰনাথ ভট্টাচাৰ্য ফেল'স্কিপ প্ৰদান কৰা হয়। ইয়াৰ উপৰিও যোৱা তিনিটা ক্ৰমিক বৰ্ষৰ এম.এ. ইংৰাজী ভাষা শিক্ষণ কাৰ্যসূচীৰ তিনিগৰাকী বঁটাপ্ৰাপকক সন্মান জনোৱা হয়। কাজেংছাংলা লেমতুৰ (২০২৩), জিমনি নাথ (২০২৪), আৰু মৈত্ৰেই ভৰদ্বাজ (২০২৫)। বঁটাপ্ৰাপকসকলে নিজৰ মনৰ কথা ব্যক্ত কৰে।

# নগাঁৱত স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত ছাত্ৰ-ছাত্ৰীৰ মাজত দলীয় কুইজ প্ৰতিযোগিতা সম্পন্ন



**জয়ন্ত মুদৈ, নগাঁও ঃ** দেশৰ স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত পৱিত্ৰ ৰাখী পূৰ্ণিমাৰ লগত সংগতি ৰাখি নগাঁৱৰ অগ্ৰণী ব্যৱসায় প্ৰতিষ্ঠান আৰ ডি মটৰচৰ উদ্যোগত শনিবাৰে ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি ডিজিটেল দলীয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কুইজৰ তাৎপৰ্য, শিক্ষণ বৃদ্ধি, ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণ আৰু জ্ঞানৰ মূল্যায়নত ইয়াৰ ভূমিকা অন্বেষণৰ উদ্দেশ্য আগত ৰাখি আয়োজিত এই প্ৰতিযোগিতাখনি নগাঁও চহৰৰ খুটিকটীয়াস্থিত আৰ ডি মটৰচৰ ব্যৱসায় প্ৰতিষ্ঠান চৌহদত অনুষ্ঠিত কৰা হয়। এই উপলক্ষে অনুষ্ঠিত হোৱা শুভাৰম্ভণি অনুষ্ঠানত উপস্থিত থাকি নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। জিলা আয়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি প্ৰেৰণাদায়ক ভাষণ প্ৰদান কৰাৰ লগতে 'কোনো কাম একাণপতীয়াকৈ আৰু একাগ্ৰতাৰে যদি কৰা হয় সেই কামত সফলতা লাভ কৰাটো অনিবাৰ্য। আমাৰ আশে পাশে এনে অনেক উদাহৰণ আছে। উদ্যমী মন আৰু কৰ্মস্পৃহাৰ গৰাকী সকলো লোকেই বাধাৰ প্ৰাচীৰ ভাঙি সফলতা লাভ কৰে' বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত আৰ ডি মটৰচৰ পৰিচালন সঞ্চালক মহেশ আগৰৱালা, বিশাল আগৰৱালাকে আদি কৰি সমূহ কৰ্মকৰ্তা উপস্থিত থাকে। ইয়াৰ পিছতে আৰম্ভ হোৱা প্ৰতিযোগিতাখনিত নগাঁও জিলাৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ৰ চতুৰ্থৰ পৰা অষ্টম শ্ৰেণীত অধ্যয়নৰত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। বিজ্ঞান, সাধাৰণ জ্ঞান, সাম্প্ৰতিক সময়, কলা-সংস্কৃতি আৰু সংগীত আদি বিষয় সামৰি অনুষ্ঠিত হোৱা আকৰ্ষনীয় কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে জ্যেষ্ঠ সাংবাদিক তথা কুইজ মাষ্টাৰ দিব্যজ্যোতি বৰুৱাই। শেষত বিজয়ী দলসমূহক নগদ ধন, মানপত্ৰ আৰু ট্ৰফীৰে পুৰস্কৃত কৰা হয়।

# চকলাঘাটৰ ব্ৰাহ্মণগাঁৱত খাদ্য সুৰক্ষা বিষয়ক সজাগতা শিবিৰ সম্পন্ন



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ চকলাঘাটৰ ব্ৰাহ্মণগাঁওস্থিত পূৱ হাতীচোং সমূহীয়া ভৱনত পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সংঘৰ সৌজন্যত আৰু নেশ্যনেল প্ৰগেম ফৰ ডেইৰী ডেভলপমেণ্ট চমুকৈ এন পি ডি ডিৰ সহযোগত এটি খাদ্য সুৰক্ষা বিষয়ক সজাগতা শিবিৰ অনুষ্ঠিত হয়। খাদ্য সুৰক্ষাৰ লগত জড়িত থাকি গো-পালকসকলে কেনেদৰে বিশুদ্ধভাৱে গাখীৰ উৎপাদন কৰিব পাৰে আৰু উৎপাদিত গাখীৰখিনি কেনেকৈ বিশুদ্ধভাৱে ৰাখিব লাগে সেই সন্দৰ্ভত গো-পালক সকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আয়োজন কৰা এই শিবিৰটো পৰিচালনা কৰে পূৰৱী ডেইৰীৰ দুগ্ধ সংগ্ৰহ বিষয়া প্ৰাঞ্জিত গগৈ আৰু ৰিদ্বানা কৃন্তাৰাই। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাখনিত পূৰৱী ডেইৰীৰ পি এণ্ড আই বিভাগৰ মূৰব্বী তৰুণ কুমাৰ মন্দেশীয়া, পশু চিকিৎসক ডাঃ পৰাগজ্যোতি চহৰীয়া আৰু ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মি সমল ব্যক্তিৰূপে উপস্থিত থাকে। তেওঁলোকে গো-পালকসকলক উদ্দেশ্যি কয় যে--পূৰবী ডেইৰীয়ে সদায় বিশুদ্ধ আৰু উৎকৃষ্ট মানদণ্ডৰ গাখীৰ আৰু দুগ্ধজাত সামগ্ৰী গ্ৰাহকসকলৰ মাজলৈ লৈ যোৱাত গুৰুত্ব আৰোপ কৰি আহিছে। সেয়েহে গোহালিৰ পৰাই যাতে বিশুদ্ধতা আৰু গুণগত মানদণ্ড বজাই ৰাখি স্বচ্ছ আৰু বিশুদ্ধ গাখীৰ উৎপাদন কৰিব পাৰি তাৰ ওপৰত গো-পালক সকলক বিভিন্ন শিতানত প্ৰশিক্ষণ প্ৰদান কৰা হয়। পৰিষ্কাৰ-পৰিচন্ন গোহালি, নিৰোগী আৰু স্বাস্থ্যবান পশুধন, গো-পালকৰ পৰিচন্নতা, গাখীৰ ৰখা পৰিস্কাৰ পাত্ৰ, সুষম পশু আহাৰ আদিয়েই বিশুদ্ধ আৰু উৎকৃষ্ট গাখীৰ উৎপাদনৰ প্ৰধান আহিলা হিচাপে গণ্য কৰা হয়। তদুপৰি যিবোৰ বেমাৰ পশুৰ পৰা মানুহলৈ বা মানুহৰ পৰা পশুলৈ যাব পাৰে তাৰ ওপৰতো সজাগ হ'ব লাগে। সভাত সুষম পশু আহাৰৰ উপকাৰিতা আৰু গুণাগুণ সম্পৰ্কেও বিস্তৃতভাৱে আলোচনা কৰা হয়। চকলাঘাট, ব্ৰাহ্মণগাঁও, ফুলনিআটি, দৰঙীয়াল, জামুগুৰি, গোসাঁইবড়ী আৰু হাতীচোং অঞ্চলৰ অৰ্ধ শতাধিক গো-পালকৰ লগতে দীঘলীপাৰ, কাছমাৰী, আলিটাঙনী, বেবেজীয়া আৰু পূৱ হাতীচোঙৰ দুগ্ধ উৎপাদক সমবায় সমিতিসমূহে ভাগ লোৱা এই শিবিৰত পূৰবীৰ ডেইৰীৰ পশু আহাৰ বিভাগৰ মূৰব্বী মতিউৰ ৰহমানৰ উপৰি অনুৰাৰ ভৌমিক, পি এণ্ড ৱাই বিভাগৰ কংকনা মহন্ত আৰু গোপাল দাস উপস্থিত থাকে। এই সজাগতা শিবিৰটো আয়োজনৰ দিশত পূৱ হাতীচোং দুগ্ধ উৎপাদক সমবায় সমিতি আৰু সোণাইপৰীয়া দুগ্ধ উৎপাদক সমবায় সমিতিৰ বিষয়ববীয়াই বিশেষভাৱে সহযোগিতা আগবঢ়াইছিল।

# শিৱসাগৰত 'বিশ্ব স্তনপান দিৱস'ৰ সামৰণি অনুষ্ঠান সম্পন্ন

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ ডিমৌ স্বাস্থ্যখণ্ডৰ অধীনৰ আঠাবাৰী আয়ুষ্মান আৰোগ্য মন্দিৰত ১১ আগষ্ট, সোমবাৰে 'বিশ্ব স্তনপান দিৱস'ৰ সামৰণি অনুষ্ঠান সম্পন্ন হয়। সমগ্ৰ বিশ্বৰ লগতে শিৱসাগৰ জিলাৰ সকলো স্বাস্থ্য প্ৰতিষ্ঠানসমূহত বিশ্ব স্তনপান সপ্তাহ পালন কৰা হয়। উল্লেখযোগ্য যে, দিৱসৰ উপলক্ষে অনুষ্ঠিত সভাত ডিমৌ খণ্ড প্ৰথামিক স্বাস্থ্যকেন্দ্ৰৰ মহকুমা বিষয়া ডাঃ বিজিত বৰাই মাতৃদুগ্ধ পানৰ উপকাৰিতাৰ সম্পৰ্কে মাতৃসকলক সজাগ কৰে। আনহাতে স্বাস্থ্য বিভাগৰ জনসম্পৰ্কৰক্ষী বিষয়া তথা জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে স্তনপানৰ উপযুক্ত অৱস্থান আদিৰ বিষয়ে অতি সুন্দৰভাৱে সভাত উপস্থিত লোকৰ সন্মুখত উপস্থাপন কৰে। তেখেতে নৱজাতকৰ প্ৰথম খাদ্য ডাঠ হালধীয়া ৰঙৰ গাখীৰ (Colostrum)ৰ প্ৰয়োজনীয়তা আৰু উপকাৰিতা ব্যাখ্যা কৰাৰ লগতে মাকৰ গাখীৰৰ পৰাই সকলোবোৰ পৰিপুষ্টি পাই, সেই সম্পৰ্কে বক্তব্য আগবঢ়ায়। ডিমৌ আদৰ্শ চিকিৎসালয়ৰ পৰামৰ্শদাতা (Counsellor) দিগন্ত বৰুৱাই সঠিকভাৱে স্তনপান নকৰালে শিশুৰ লগতে মাতৃগৰাকীৰো কেনেধৰণৰ ৰোগ হ'ব পাৰে, এই বিষয়ে এক মন্তব্য দাঙি ধৰাৰ লগতে নৱজাতকৰ ক্ষেত্ৰত মাতৃৰ দুগ্ধ অমৃতৰ সমান, মাতৃ দুগ্ধৰ যে কোনো বিকল্প নাই এই সম্পৰ্কে আঠাবাৰী অঞ্চলৰ লোকৰ মাজত সচেতনতা বৃদ্ধি কৰিবলৈ আশাকৰ্মীসকলক বিনম্ৰভাৱে অনুৰোধ জনায়। ডিমৌ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ খণ্ড সামূহিক সংহতিকাৰক (BCM) মৃণাল ৰাজবংশীয়ে স্তনপানৰ আৱশ্যকতা আৰু উপকাৰিতাৰ সম্পৰ্কে বিশদভাৱে বৰ্ণনা কৰাৰ লগতে আশাকৰ্মীসকলক মাতৃদুগ্ধ প্ৰয়োজন আৰু গুৰুত্বৰ বিষয়ে সমাজত সজাগতাৰ সৃষ্টি কৰিবলৈ আহ্বান জনায়। দিগন্ত বৰুৱাই আঁত ধৰা উক্ত সভাত আশাকৰ্মী, ANM আৰু দুগ্ধপান কৰোৱা মাতৃসকল উপস্থিত থাকে।



অসম চৰকাৰ সমবায় বিভাগ

## ২০২৫-২৬ বৰ্ষৰ বাবে অসমৰ যোগ্য সমবায় সমিতিসমূহক বঁটা/ আৰ্থিক সাহায্য

### নিৰ্বাচিত শ্ৰেণীসমূহ

ক) গাঁও পঞ্চায়ত সমবায় সমিতিসমূহ

খ) মহিলা সমবায় সমিতিসমূহ

গ) দুগ্ধ সমবায় সমিতিসমূহ

i) গাখীৰ পাৰ্লাৰ স্থাপন/ খোলাৰ বাবে আৰ্থিক সাহায্য ii)গাখীৰ কঢ়িওৱা সৰু বাহন (তিনি চকীয়া) ক্ৰয়ৰ বাবে আৰ্থিক সাহায্য

ঘ) অন্যান্য সমবায় সমিতিসমূহ

i)থলুৱা উৎপাদিত পৰম্পৰাগত সামগ্ৰীৰ ব্যৱসায় লগত জড়িত,ii)এন চি চি এফ (NCCF) আঁচনিৰ অধীনস্থ, iii)নাফেড (NAFED) আঁচনিৰ অধীনস্থ, iv)বি বি এছ এছ এল আঁচনিৰ অধীনস্থ, v) ৯ বল্ট সৰিয়হ তেল মিল স্থাপন আৰু কাৰ্যকৰী কৰা, vi)সাৰ/কীটনাশক ব্যৱসায় কৰা, vii) ধানকল স্থাপন কৰা বাবে, viii)পাৱাৰ টিলাৰ ক্ৰয়ৰ বাবে কৃষি/জৈৱিক কৃষি ix) মাছ ধৰা নাও আৰু জাল ক্ৰয়ৰ বাবে, x) MPACS, MFISHERY & MDAIRY লৈ আৰ্থিক সাহায্যxi) পৰ্যটন , xii)ক্ষুদ্ৰ উদ্যোগ, xiii) পেট্ৰল পাম্প খোলাৰ বাবে কাৰ্যকৰী মূলধন হিচাপে গাওঁ পঞ্চায়ত সমবায় সমিতি

ঙ)শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা সমবায় সমিতিৰ বাবে বঁটা (উৎকৃষ্ট মানপ্ৰাপ্ত সমবায় সমিতি বঁটা আঁচনি ) শ্ৰেণীসমূহ-

i) ৰাজ্যিক পৰ্যায়, ii) মাণ্ডলিক পৰ্যায়, iii) জিলা পৰ্যায়, iv) প্ৰাথমিক পৰ্যায় - ক) গাওঁ পঞ্চায়ত সমবায় সমিতি, খ) প্ৰাথমিক পৰ্যায়ৰ মহিলা সমবায় সমিতি, গ) প্ৰাথমিক পৰ্যায়ৰ দুগ্ধ সমবায় সমিতি, ঘ) প্ৰাথমিক পৰ্যায়ৰ অন্যান্য সমবায় সমিতি ঙ) প্ৰাথমিক পৰ্যায়ৰ উপভোক্তা সমবায় সমিতি।

### যোগ্য বিবেচনাৰ বাবে সাধাৰণ চৰ্তাৱলী

ক) হিতাধিকাৰী অসম সমবায় সমিতিসমূহ আইন, ২০০৭ৰ অধীনত যথাযথভাৱে পঞ্জীয়নভুক্ত সমবায় সমিতি হ'ব লাগিব।

খ) সমবায় সমিতিসমূহৰ ২০২২-২৩, ২০২৩-২০২৪ আৰু ২০২৪- ২০২৫ বিত্তীয় বৰ্ষৰ যথাবিধি হিচাপ পৰীক্ষণ হোৱাটো বাঞ্চনীয়।

গ) যোৱা ৩(তিনি)বছৰ ধৰি নিয়মিতভাৱে বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰা সমিতিবোৰকহে যোগ্য বিবেচনা কৰা হব।

**ৰাজ্যিক পৰ্যায়ৰ যোগ্য সমবায় সমিতিসমূহেও আবেদন কৰিব পাৰিব**

**উপৰোক্ত আঁচনিসমূহ সাধাৰণ ক্ষেত্ৰৰ সমবায় সমিতিসমূহৰ বাবেহে প্ৰযোজ্য**

যোগ্যতাৰ চৰ্তসমূহ আৰু অনলাইন আবেদন পত্ৰ **www.farcs.assam.gov.in** ত উপলব্ধ

আবেদন দাখিলৰ সময় ৭ আগষ্ট, ২০২৫ৰ পৰা ২৭ আগষ্ট,২০২৫লৈ

আবেদন দাখিলেই নিৰ্বাচিত হোৱাৰ যোগ্যতা হিচাপে বিবেচিত নহব

**বিতং তথ্যৰ বাবে অনুগ্ৰহ কৰি প'ৰ্টেলত উপলব্ধ নিৰ্দেশনা পৰীক্ষা কৰক**

অধিক তথ্যৰ বাবে সংশিষ্ট সমবায় সমিতিসমূহৰ জিলা উপ পঞ্জীয়কৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হল

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# স্বাধীনতা আন্দোলনত লখিমপুৰ



■ বিতোপন গগৈ

**বু**ৰঞ্জীৰ পম খেদি চালে দেখা পাওঁ, ১২২৮ খ্ৰীষ্টাব্দত চাওলুং ছ্যুকাফাৰ কৌশল প্ৰয়োগেৰে একত্ৰিত কৰি শাসনৰ পাতনি মেলিছিল আৰু আহোম ৰাজ্য ক্ৰমাগত বিস্তাৰ কৰিছিল। কিন্তু শেষলৈ (১৮১০ চনত) পূৰ্ণানন্দ বুঢ়াগোহাঞিঃ ডাঙৰীয়াৰ ওপৰতে নিৰ্ভৰ কৰি মাথোঁ বাৰ বছৰ বয়সতে চন্দ্ৰকান্ত সিংহ আহোম ৰাজপাটত উঠে আৰু ৰাজ্য ভোগ কৰে। যিটো সময়ত আন আন ল'ৰা-ছোৱালীৰ সৈতে তেওঁ ধেমালি কৰিয়েই কাল কটাইছিল।

এনে সময়তে পূৰ্ণানন্দ বুঢ়াগোহাঞিঃ আৰু বদন চন্দ্ৰ বৰফুকনৰ মাজত ঘৰুৱা কথা প্ৰসঙ্গত সম্পৰ্কৰ অৱনতি ঘটে। অন্যহাতে ৰজাৰ প্ৰিয়পাত্ৰ (!) সতৰামে গোহাঞিঃ ডাঙৰীয়াৰ বিপক্ষে ষড়যন্ত্ৰ ৰচনা কৰাত বৰফুকনেও সহযোগ কৰিলে। পিছত বুঢ়াগোহাঞিঃ, বৰগোহাঞিঃ আৰু বৰপাত্ৰ গোহাঞিঃ তিনিওজনাই একে সময়তে ৰজাৰ চ'ৰাত বহি সতৰামক বিদ্ৰোহী ঘোষণাৰে দেশান্তৰ কৰিলে। তদুপৰি গুৱাহাটীত থকা বদনচন্দ্ৰ বৰফুকনে কামৰূপীয়া প্ৰজাবিলাকক বৰ উপদ্ৰৱ কৰিছিল বুলি বাতৰি পাইছিল। তেতিয়া বুঢ়াগোহাঞিঃ ডাঙৰীয়াই বদনচন্দ্ৰ বৰফুকনক ধৰি আনিবৰ বাবে মহেশ্বৰ পৰ্বতীয়া ফুকনক গুৱাহাটীলৈ পঠাইছিল। বদন আগৰাতিয়েই বঙ্গ দেশৰ ফালে পলাই গ'ল। কলিকতাত বদনে ব্ৰিটিছ গৱৰ্ণমেণ্টৰ সহায় বিচাৰিছিল যদিও সি নিষ্ফল হ'ল। এনে সময়তে কলিকতালৈ অহা বৰ্মা দেশৰ কটকী এজনৰ কাষ চাপি বদনে সেই দেশলৈ গৈ ১৮১৬ চনত মান সেনাৰে সৈতে অসমত প্ৰৱেশ কৰিলে। মানসৈন্যই অসমীয়াক অমানুষিক অত্যাচাৰ চলাইছিল। প্ৰণিধানযোগ্য যে, ব্ৰিটিছে ইয়াৰ আগলৈকে অসমলৈ প্ৰভূত্ব স্থাপনৰ বাবে আহিব পৰা নাছিল। কিন্তু যেতিয়া মান সৈন্যই চট্টগ্ৰামৰ ওপৰত ইংৰাজৰ অধীনত থকা চাহপুৰ নামে ঠাই দখল কৰিলে, তেতিয়া মানসেনাৰে সৈতে যুদ্ধ লাগিল। মানসেনা পৰাভূত হয়। অৱশেষত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ব্ৰহ্মদেশৰ ইয়াণ্ডাবু নামে ঠাইত ইংৰাজৰ লগত মানসেনাই সন্ধি কৰে আৰু অসম প্ৰায় ছশবছৰে ৰাজত্ব কৰা আহোমৰ হাতৰ পৰা ব্ৰিটিছৰ হাতলৈ যায়।

মানসৈন্যৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ অসমৰ জনসাধাৰণে ইংৰাজক প্ৰথমে কিছু সহজভাৱে লৈছিল; কিন্তু শ শ বছৰ ধৰি অসমীয়াৰ মন মগজুত স্বাধীনতাৰ স্বদেশপ্ৰীতিৰ যি বোৱতী সুঁতি প্ৰবাহিত হৈ আছিল, তাক মানসেনাৰ বাৰম্বাৰ আক্ৰমণে অথবা ইংৰাজৰ কাৰ্যপ্ৰণালীত বহুত অসন্তুষ্ট হৈছিল। ১৮২৮ চনত গোমধৰ কোঁৱৰে ব্ৰিটিছৰ বিৰুদ্ধে প্ৰথম বিদ্ৰোহ ঘোষণা কৰিছিল। ১৮৩০ চনত পিয়লি ফুকন আৰু জীউৰাম দুলিয়া বৰুৱাক ফাঁচী দিয়ে।

ব্ৰিটিছৰ বিষয়া মিষ্টাৰ টি, চি, ৰবাৰ্টচনে ১৮৩২-৩৩ চনত পুৰন্দৰ সিংহক উত্তৰপাৰে বিশ্বনাথৰপৰা উজনি অংশ লখিমপুৰ আৰু দক্ষিণপাৰে কলিয়াবৰৰপৰা পূৰ্বাংশ শিৱসাগৰ এই দুখন জিলা শাসনৰ বাবে সন্ধি কৰে। কিন্তু কৰ শোধাব নোৱাৰাৰ বাবে পিছত ব্ৰিটিছৰ খাচ দখললৈ যায়।

এনে বিভিন্ন পৰিঘটনাই অসমীয়াৰ মন-প্ৰাণ ভাৰাক্ৰান্ত কৰি তুলিছিল। ১৮৪৬ চনত আমেৰিকান বেপ্তিষ্ট মিচনৰ দ্বাৰা প্ৰকাশিত 'অৰুণোদই'ত অসমীয়াৰ হৈ বিভিন্ন মত প্ৰকাশ হৈছিল। ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম ১৮৫৭ চনত হোৱা চিপাহী বিদ্ৰোহত অসমেও অংশগ্ৰহণ কৰি স্বাধীনতাৰ বাবে আগ্ৰহ প্ৰদৰ্শন কৰিছিল। ইয়াৰ পিছৰছোৱাত নামনি অসমত হোৱা বিভিন্ন প্ৰজা বিদ্ৰোহে সমগ্ৰ অসমীয়াৰ মনত বিদ্ৰোহী অনুকম্পা জগাই তুলিছিল। পৰৱৰ্তী সময়ত অসমৰ কলীয়াপানী খ্যাত লখিমপুৰতো ব্ৰিটিছৰ বিৰুদ্ধে এদল সেনানীৰ জন্ম হৈছিল। তেওঁলোকৰ ভিতৰত নেতৃস্থানীয়সকল হ'ল— পীতাম্বৰ দেৱগোস্বামী (জন্ম ঃ ১৮৮৫খ্ৰীষ্টাব্দ), সৰ্বেশ্বৰ বৰুৱা, হেমচন্দ্ৰ হাজৰিকা, শশীধৰ ফুকন, তীৰ্থেশ্বৰ হাজৰিকা, পানীন্দ্ৰ নাথ বৰুৱা, হৰিপদ দত্ত, লীলাৰাম ভূএঃা, ইন্দ্ৰেশ্বৰ শৰ্মা, গোবিন্দ চন্দ্ৰ বৰা, থানেশ্বৰ গগৈ, যোগেশ্বৰ বৰুৱা, মহানন্দ বৰা, শৈলেন্দ্ৰ নাথ শইকীয়া, হৰিচন্দ্ৰ বৰুৱা, পূৰ্ণানন্দ দত্ত, হেমকান্ত দুৱৰা, চেনিচন্দ্ৰ শইকীয়া, উমাকান্ত ৰাজখোৱা (ৰাইদঙ্গিয়া গাঁও), মহেন্দ্ৰ নাথ তালুকদাৰ (অতীতত কামৰূপ), ৰমেশ চন্দ্ৰ বিদ্যাৰ্থী, গোলোক চন্দ্ৰ বৰুৱা, মিনাৰাম শইকীয়া, টুনিৰাম হাজৰিকা, বাপুৰাম দত্ত, বংশীধৰ শৰ্মা, নিৰণ ভূএঃা, বংশীধৰ ভূএঃা, ফটিক চন্দ্ৰ ভূএঃা, লক্ষীৰাম দত্ত, দেৰাজুদ্দিন আহমেদ, গোপাল চন্দ্ৰ কোঁচ, গোলাপ চন্দ্ৰ শইকীয়া, মহেন্দ্ৰ নাথ ভূএঃা, অকমান দত্ত, কালিৰাম দত্ত, কনকেশ্বৰ দত্ত, বিশ্বনাৰায়ণ শাস্ত্ৰী ইত্যাদি।

১৯০৩ চনত ডিব্ৰুগড়ত গঠিত হোৱা অসম এছ'চিয়েচন পিছলৈ অৰ্থাৎ ১৯২০ চনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীলৈ ৰূপান্তৰ হয়। সেই বছৰৰ অক্টোবৰ মাহত লখিমপুৰ মহকুমাৰ এখনি ৰাজহুৱা সভাত ভাৰতৰ কেইবাটিও বীভৎস ঘটনাৰ প্ৰতিবাদত প্ৰস্তাৱ গ্ৰহণেৰে উত্তৰ লখিমপুৰ জিলা কংগ্ৰেছ কমিটী গঠন কৰা হৈছিল। সমিতিৰ সভাপতি আছিল সৰ্বেশ্বৰ বৰুৱা, সম্পাদক শশীধৰ ফুকন, সদস্যসকল— ৰজনীকান্ত খাৰঘৰীয়া, মহম্মদ চিৰাজুলহক বৰুৱা, শিৱচন্দ্ৰ গোস্বামী, চন্দ্ৰশেখৰ দাস, চৈয়দ মহিবুল হুচেইন, ধনিৰাম গগৈ, মণিকান্ত হাজৰিকা, নীলকান্ত গোহাঁই বৰুৱা, বেণীমাধৱ দস্তিদাৰ, সোণাৰাম শইকীয়া, ৰবিচন্দ্ৰ হাজৰিকা, নকুলেশ্বৰ গোস্বামী, হাঁহিৰাম শইকীয়া, জয়চন্দ্ৰ মহন্ত, ধনীৰাম শইকীয়া, হলধৰ আলী আৰু চৌকিত আলী আদি। তেওঁলোকৰ ভাষা শুনিবৰ বাবে লখিমপুৰৰ পৰা খোজকাঢ়ি আৰু চাইকেলেৰে গৈছিল খৰ্গেশ্বৰ খনিকৰ, ৰূপৰাম দাস, আব্দুল বাৰি, নগেন্দ্ৰ নাথ শইকীয়া, তীৰ্থেশ্বৰ হাজৰিকা আদি। এখেতসকলে ঘূৰি আহি মহাত্মাৰ বাণী প্ৰচাৰ কৰিছিল। সৰ্বেশ্বৰ বৰুৱাই ওকালতি এৰি নিদিয়াকৈ আন্দোলনত যোগদান কৰে। ১৯২১ চনৰ আন্দোলনত নিৰ্যাতন ভোগ কৰা ৮৬ গৰাকী লোকৰ নাম পোৱা যায়।

১৯৩০-৩১ চনৰ আইন অমান্য আন্দোলন লখিমপুৰ জিলা মহিলা সমিতিৰ সভানেত্ৰী যুগলেশ্বৰী বৰুৱানী, সহঃ সম্পাদিকা মাধৱীলতা বৰুৱানী উভয়ে বিভিন্ন গাঁৱলৈ গৈ মহিলা সমিতি গঠন কৰা, সূঁতা কাটি কাপোৰ বৈ পৰিধান কৰা আদি কামৰ প্ৰচাৰ চলাইছিল। তদুপৰি ৰত্নেশ্বৰী দত্ত, হিৰণ্যপ্ৰভা শইকীয়া ইত্যাদি আছিল।

১৯৩৭ চনৰ শেষৰফালে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি জৱাহৰলাল নেহৰু যোৰহাট হৈ উত্তৰ লখিমপুৰলৈ আহিছিল। তেখেতৰ লগত আহিছিল ফকৰুদ্দিন আলী আহমেদ আৰু গোপীনাথ বৰদলৈ। সেই সময়ত কৰ্মীসকলে প্ৰৱল প্ৰেৰণা লাভ কৰিছিল।

ইয়াৰ পিছত ১৯৪০-৪১ চনত ব্যক্তিগত সত্যাগ্ৰহত লখিমপুৰেও অংশগ্ৰহণ কৰে আৰু এবছৰকৈ সশ্ৰম কাৰাদণ্ড ভোগ কৰা ব্যক্তিসকল আছিল ক্ৰমে— লীলাৰাম ভূএঃা, মহেন্দ্ৰনাথ তালুকদাৰ, যোগেশ্বৰ সোণাৰাম বৰা, গোলোক চন্দ্ৰ বৰুৱা, লক্ষীৰাম দত্ত, ডম্বৰুধৰ কাকতি, খগেশ্বৰ ভূএঃা, গোলাপ শইকীয়া, কামেশ্বৰ বৰা, পানীৰাম বৰুৱা, হেমকান্ত দুৱৰা, থানেশ্বৰ গগৈ, পূৰ্ণানন্দ দত্ত, মিনাৰাম শইকীয়া (যোৰহাটত কৰে)।

স্বাধীনতা আন্দোলনৰ শেষযুদ্ধ হিচাপে অভিহিত কৰিবপৰা ১৯৪২ ৰ 'ভাৰত ত্যাগ' আন্দোলন সমগ্ৰ দেশৰ গাঁৱে-ভূঞে বিয়পি তীব্ৰ ৰূপত চলিছিল। সেই সময়ত জাপানৰ বিৰুদ্ধে যুঁজিবলৈ ইংলেণ্ড, আমেৰিকা আদিৰ সৈন্যই বিধ্বংসী আধুনিক মাৰণাস্ত্ৰৰে সৈতে চাৰিওফালে পিট্‌পিটাই ফুৰিছিল। বিভিন্ন নেতাসকলক কাৰাবন্দী কৰাৰ ফলত এই আন্দোলন 'কৰিম কিম্বা মৰিম' ধ্বনিৰে গণবিপ্লৱলৈ পৰ্যবসিত হৈছিল।

লখিমপুৰ জিলাতো ত্ৰিশজনতকৈ অধিক লোকে চৰকাৰী চাকৰি কৰিছিল। মুক্তিসেনা, শান্তি সেনা, মৃত্যু সেনা আদি বিভিন্ন শিবিৰত বিভক্ত হৈ 'ভাৰত ত্যাগ' মন্ত্ৰধ্বনিৰে দীক্ষিত হৈছিল।

জিলাখনত আন্দোলন আৰু শোভাযাত্ৰাই ইমানেই প্ৰসাৰ লাভ কৰিছিল আৰু পুলিচৰ আতিশয্য বৃদ্ধি পাইছিল যে তাৰ বিৱৰণ কম পৰিসৰত সামৰিব পৰাটো দুৰূহ কাম।

নকাড়ী, নাওবৈচা, কদম, তেলাহী-কমলাবৰীয়া, বৰদলনি, ঢকুৱাখনা, খেৰাজখাট, ধলপুৰ, দুলীয়াপথাৰ, বিহপুৰীয়া, ৰঙতি, জাপিসজীয়া, ডেৰগএঃা, পানীগাঁও, এঙাৰখোৱাৰ শিঙিমাৰী ইত্যাদি স্থানত হোৱা বিপ্লৱৰ অগনি পুলিচে নিৰ্বাপিত কৰাৰ ব্যৰ্থ চেষ্টাৰ কাহিনী লিপিবদ্ধ হৈ আছে বুৰঞ্জীৰ পাতে পাতে। বহুতো পুৰুষ-মহিলা ছাত্ৰই ইয়াত অৰিহণা যোগাইছিল; যাৰ নাম লিখি শেষ কৰাটো অত্যন্ত কাঠিন কাম। মুঠৰ ওপৰত সেই সময়ত কণ্ঠিৰাম সন্দিকৈ, দয়ানন্দ হাতীবৰুৱা, উপেন্দ্ৰ নাথ হাতীবৰুৱা, জীৱেশ্বৰ সন্দিকৈ, ভোলা গোহাঁইপ্ৰভৃতি উজ্জীৱিত হৈ আছিল স্বাধীনতা আন্দোলনৰ লখিমপুৰীয়া সেনানী হিচাপে।

(কৃতজ্ঞতা ঃ ধলপুৰৰ স্বাধীনতা সংগ্ৰামী শিৱপদ দত্ত)

**ঠিকনা ঃ** শিমলুগুৰি, লখিমপুৰ, অসম
**ম'বাইল ঃ** ৯৩৬৫১-৬৮৮০৬

# পুথিভঁৰাল বিজ্ঞানৰ জনক পদ্মশ্ৰী এস আৰ ৰঙ্গনাথনৰ জন্মবাৰ্ষিকী

## শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস উদ্‌যাপন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰৰ পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ উদ্যোগত আৰু শিৱসাগৰ জিলা পুথিভঁৰালৰ সহযোগত ভাৰতৰ পুথিভঁৰাল বিজ্ঞানৰ জনক পদ্মশ্ৰী ড° এস আৰ ৰঙ্গনাথনৰ জন্মবাৰ্ষিকী উপলক্ষে ১২ আগষ্ট, মঙ্গলবাৰে শিৱসাগৰ যুৱদলত ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস উদ্‌যাপন কৰা হয়। বিশিষ্ট কবি, লেখিকা তথা শিৱসাগৰ কবি চক্ৰৰ সভাপতি অশ্ৰুমনি দত্ত ঘোষে সুন্দৰকৈ পৰিচালনা কৰা অনুষ্ঠানটি অসমৰ জাতীয় সংগীতৰ দ্বাৰা শুভাৰম্ভ কৰা হয়। উল্লেখযোগ্য যে, সংগীত শিল্পী তথা ৰাগ ৰাগিণী মহাবিদ্যালয়ৰ অধ্যক্ষা অনুধৃতি মহন্তৰ বৰগীত পৰিৱেশনেৰে মুকলি হোৱা অনুষ্ঠানটোত আদৰণি ভাষণ আগবঢ়ায় কামৰূপ মহানগৰৰ জিলা গ্ৰন্থাগাৰিক নৱজ্যোতি ডেকাই। অসম পৰিবহণ, পুথিভঁৰাল সেৱা সঞ্চালকালয় আৰু অন্যান্য বিভাগৰ মন্ত্ৰী যোগেন মহন উপস্থিত থাকি শুভেচ্ছা জ্ঞাপন কৰে। নিৰ্দিষ্ট বক্তা হিচাপে বিশিষ্ট কবি, সাহিত্যিক প্ৰেম গগৈ আৰু শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে অংশগ্ৰহণ কৰি গ্ৰন্থৰ প্ৰকাশ আৰু বিকাশে মানৱ সভ্যতাৰ উত্তৰণৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি আগবঢ়োৱাৰ লগতে গ্ৰন্থাগাৰৰ গুৰুত্ব সম্পৰ্কে বক্তব্য ডাঙি ধৰে। আনহাতে শিৱসাগৰ জিলাৰ গ্ৰন্থাগাৰিক নয়নমণি দাস, চৰাইদেউৰ গ্ৰন্থাগাৰিক সংগীতা চেতিয়াই মিডিয়াৰ আগত যুৱ প্ৰজন্মৰ বাবে গ্ৰন্থাগাৰিকসকলৰ কৰণীয় বহু কাম আছে বুলি কোৱাৰ লগতে শিৱসাগৰত যথেষ্ট সংখ্যক পঢ়ুৱৈ থকাৰ কথা স্বীকাৰ কৰে। ডিব্ৰুগড় জিলাৰ গ্ৰন্থাগাৰিক কৰিশ্মা কুলি, শিৱসাগৰ গ্ৰন্থাগাৰৰ কৰ্মকৰ্তা য়াচমিন আৰা বেগম আদিকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰৰ বহু সংখ্যক গ্ৰন্থাগাৰিক আৰু কৰ্মকৰ্তাসকলৰ লগতে শিৱসাগৰৰ গ্ৰন্থপ্ৰেমী ৰাইজ আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাখনিত সাহিত্য সেৱাৰ যোগেদি সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে এই দিৱসৰ লগত সংগতি ৰাখি শিৱসাগৰৰ কেইগৰাকীমান জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা জনোৱা ব্যক্তিসকল হ'ল ক্ৰমে শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যিক ড° নিৰুপমা মহন্ত, বিশিষ্ট লেখিকা দীপালী ভট্টাচাৰ্য বৰুৱা, বিশিষ্ট কবি, সাহিত্যিক প্ৰেম গগৈ, শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি, লেখক মুকুল নাথ, বিশিষ্ট লেখিকা তথা সমাজকৰ্মী মণিকা শইকীয়া, বিশিষ্ট লেখিকা দীপ্তিময়ী বুঢ়াগোহাঁই, বিশিষ্ট কবি পুঞ্জন বৰুৱা, বিশিষ্ট কবি বিজয় ৰবি দাস আৰু লেখক তথা সমাজকৰ্মী পৱিত্ৰ প্ৰাণ ভট্টাচাৰ্য।উক্ত অনুষ্ঠানতেই শিৱসাগৰ জিলা পুথিভঁৰালৰ পৰা অধিক গ্ৰন্থ অধ্যয়ন কৰা প্ৰফুল্ল গগৈ আৰু জোনালী গোস্বামীক বছৰৰ সৰ্বশ্ৰেষ্ঠ পঢ়ুৱৈৰ সন্মান জনোৱাৰ উপৰিও গ্ৰন্থাগাৰৰ প্ৰতি আগবঢ়োৱা উত্তম সেৱাৰ বাবে বৰপেটা জিলাৰ গ্ৰন্থাগাৰিক ড° মাহটাব হুছেইন, জোনাই মহকুমা পুথিভঁৰালৰ কক্ষ পৰিচালক নিজৰা সোণোৱাল আৰু শদিয়া মহকুমা পুথিভঁৰালৰ কক্ষ পৰিচালক মিনু দত্তক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা জনোৱা ব্যক্তিসকলৰ হৈ ড° নিৰুপমা মহন্ত আৰু ড° মাহটাব হুছেইনে চমু বক্তব্য প্ৰদান কৰে। কাৰ্যসূচীৰ শেষত অশ্ৰুমনি দত্ত ঘোষে শলাগৰ গুৱা-পাণ আগবঢ়োৱাৰ পাছত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানটিৰ সামৰণি পৰে।

# কাকমাৰি-জামগুৰি গাঁও পঞ্চায়তত হৰ ঘৰ ত্ৰিৰংগা যাত্ৰা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে সমগ্ৰ দেশৰ লগতে নগাঁও জিলাৰ  কাকমাৰি আৰু জামগুৰি গাঁও পঞ্চায়তটো হৰ ঘৰ ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বন্দে মা তৰম, হৰ ঘৰ ত্ৰিৰংগা ধ্বনিৰে দুয়োটা পঞ্চায়ত এলেকা মুখৰিত কৰি তোলে। এই কাৰ্যসূচীত স্থানীয় ৰাইজে সহযোগিতা আগবঢ়ায়। বিজেপিৰ পাখিমৰীয়া মণ্ডলৰ সহযোগত আয়োজন কৰা এই কাৰ্যসূচীত পঞ্চায়তৰ বিষয়া, কৰ্মচাৰী, জনপ্ৰতিনিধি আদিয়ে অংশগ্ৰহণ কৰে।

# অসমৰ জনপ্ৰিয় গায়ক তানা দেৱৰাজৰ সৈতে এক অন্তৰংগ আলাপ



অসমৰ বিভিন্ন শ্ৰব্যকেছেট, মঞ্চ আদিত কণ্ঠদান কৰা অসমৰ জনপ্ৰিয় গায়ক তানা দেৱৰাজৰ সৈতে ম'বাইল ফোনযোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

■ **অসমৰ সংগীত জগতলৈ আপোনাৰ প্ৰৱেশ কেনেকৈ হৈছিল?**

**তানা দেৱৰাজ ঃ** প্ৰথম মই এজন Musician আছিলোঁ। তাৰপিছত গান গোৱা আৰম্ভ হ'ল লাহে লাহে। মোৰ নগাঁৱৰ খ্ৰীষ্টানপট্টিত জন্ম। মই বহু বছৰ নগাঁৱতে গীত পৰিৱেশন কৰিছোঁ। গায়ক হিচাপে ২০০৩ চনত মই গুৱাহাটীলৈ আহিছিলোঁ। মোৰ প্ৰথম শ্ৰব্য কেছেটটো আছিল 'মই টানা।' এই শ্ৰব্য কেছেটটো ২০০৪ চনত মুক্তিলাভ কৰিছিল। তাৰপিছত 'নাচা নাচা' বুলি এটা কেছেটে মুক্তিলাভ কৰিছিল।

■ **সংগীত জগতলৈ অহাৰ ক্ষেত্ৰত আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন?**

**তানা দেৱৰাজ ঃ** মোৰ দেউতাৰ নাম নীৰেন্দ্ৰ কুমাৰ চৰকাৰ আৰু মাৰ নাম ঝৰ্ণা চৰকাৰ। মোৰ মাৰ Original ঘৰ হোজাইত। মোৰ দেউতা নগাঁৱৰ ENDৰ ইঞ্জিনিয়াৰ। মোৰ মায়ে আগতে মঞ্চত গীত পৰিৱেশন কৰিছিল। মায়ে গান গাওঁতে মই আৰু মোৰ দাদায়ে ড্ৰাম বজাইছিলোঁ। তেনেকৈয়ে আমাৰ ঘৰত গানৰ পৰিৱেশ এটা আছিল। সৰুতে মই আমাৰ নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াক ড্ৰাম বজোৱা দেখিছোঁ। সৰুতে তেখেতে ড্ৰাম বজোৱা ওচৰৰ পৰা চাই থাকোঁ আৰু তাৰপিছত ড্ৰাম বজাবলৈ শিকিছোঁ।

■ **সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে?**

**তানা দেৱৰাজ ঃ** নতুন প্ৰজন্মৰ আচলতে গানৰ ধাৰাটো অলপ সলনি হৈছে। আমি যদিও ভাল গীত তৈয়াৰ কৰোঁ কিন্তু সেই গীতসমূহ নচলে। কি গীত চলে আমি নিজেই ধৰিব নোৱাৰোঁ। নতুন প্ৰজন্মই হনি সিংৰ গীতৰ দৰে গীতসমূহ ভাল পায়। আমাৰ অসমীয়া ভাল গীতসমূহ কিয় জানো নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীয়ে ভাল নোপোৱা হৈছে। আজিকালি Trend টো অলপ Change হৈছে। আকৌ আমাৰ শ্ৰোতা দৰ্শকে জুবিন গাৰ্গৰ গীতসমূহ আঁকোৱালি লৈছে। এই বছৰ জুবিন গাৰ্গৰ পুৰণি গীতসমূহ ৰাইজে ভাল পাইছে। সেইটো শুনি ভাল লাগিছে। আমি যেতিয়া গীত তৈয়াৰ কৰো সকলো গীত শ্ৰোতা দৰ্শকে বা নতুন প্ৰজন্মই Accept নকৰে।

■ **আপোনাৰ অসাধাৰণ সংগীত প্ৰতিভাৰ বাদে সাহিত্য, ক্ৰীড়া আদি অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি?**

**তানা দেৱৰাজ ঃ** নাই। মোৰ জীৱনত মই কেৱল সংগীতৰ ওপৰতেই সাধনা কৰিছোঁ। Music Composer হিচাপে Music য়েই Compose কৰিছোঁ। সাহিত্যৰ ওপৰত মই ইমান অধ্যয়ন কৰা নাই।

■ **অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি?**

**তানা দেৱৰাজ ঃ** এইটো একেবাৰে সঁচা কথা বুলি মই ভাবো। শিক্ষাটো যথেষ্ট গুৰুত্বপূৰ্ণ। এজন মানুহে যিমানেই ভাল গান নাগাওক কিয় তেওঁৰ যদি শিক্ষা নাথাকে তেতিয়া তেওঁৰ ব্যৱহাৰটো বেয়া হৈ পৰে। সংগীতৰ মাধ্যমেৰেই আমি আমাৰ অসম ৰাজ্যখনৰ কথা বাহিৰত প্ৰসাৰ প্ৰচাৰ কৰিব পাৰোঁ। মুম্বাইত অসমক চিনি পায় জুবিন দা, পাপন দাৰ কাৰণে। শিক্ষা আৰু সংস্কৃতি আমাৰ জাতিটোৰ কাৰণে গুৰুত্বপূৰ্ণ বুলি মই ভাবো।

■ **যদি আপুনি গায়ক নহ'লহেঁতেন তেতিয়াহ'লে কোনটো পেছা বৃত্তি হিচাপে ল'লেহেঁতেন?**

**তানা দেৱৰাজ ঃ** যদি মই গায়ক নহ'লোহেঁতেন তেতিয়াহ'লে ব্যৱসায় কৰিলোহেঁতেন। মই হোটেলৰ ব্যৱসায় কৰিলোহেঁতেন। কাৰণ মই ৰান্ধি খুব ভাল পাওঁ।

■ **আপুনি ভাৰতৰ সংগীতৰ এক বিখ্যাত Show Indian Idol ত Audittion দিছিল। সেই অভিজ্ঞতাটোৰ বিষয়ে অলপ কওঁকচোন?**

**তানা দেৱৰাজ ঃ** Indian Idol ৰ বাবে মই গুৱাহাটীত Audittion দিছিলোঁ। বৰ্ণালী কলিতা আৰু অসমৰ বহু শিল্পীয়ে মোৰ লগত Indian Idolত Audittion দিছিল। কিন্তু সেই সময়ত Indian Idolৰ অনুষ্ঠানটো এক Bussiness ৰ দৰে হৈ পৰিল। আমাৰ অসমৰ পৰা যিসকল গায়ক-গায়িকাই Indian Idolত Audittion দিয়ে তেওঁলোকে কিবা নহয় কিবা এক স্থান লাভ কৰেই। সেইবাবে তেওঁলোকে অসমৰ পৰা গায়ক-গায়িকাৰ Audittion নোলোৱা হ'ল। মই আৰু বৰ্ণালী কলিতাই ভাল গোৱাৰ পিছতো তেওঁলোকে আমাক Reject কৰিছিল। আমাৰ ২১ জনক Reject কৰি এজন বিক্সাৱালাক লৈ গ'ল TRPৰ কাৰণে। কাৰণ তেওঁলোকে Talentক গুৰুত্ব নিদিয়ে ব্যৱসায়ভিত্তিক হিচাপে বেছি চায়। তাৰপিছত কলিকতাত Selection টো বেলেগ ধৰণে হয়। তেওঁলোকে ১০জন গায়ক-গায়িকা Already Select কৰি ৰাখে। বাকী হাজাৰ হাজাৰ Contestentয়ে Audittion দিয়ে সেয়া মানুহক দেখুৱাবৰ বাবেহে।

■ **আপোনাৰ প্ৰিয় খাদ্য?**

**তানা দেৱৰাজ ঃ** মোৰ প্ৰিয় খাদ্য চিজলাৰ।

■ **আপোনাৰ প্ৰিয় ৰং?**

**তানা দেৱৰাজ ঃ** ৰঙা।

■ **আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন আৰু অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন?**

**তানা দেৱৰাজ ঃ** হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা শ্বাহৰুখ খান আৰু প্ৰিয় অভিনেত্ৰী মণীষা কৈৰালা। অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা যতীন বৰা দাদা আৰু প্ৰিয় অভিনেত্ৰী বৰষাৰাণী বিষয়া।

■ **আপোনাৰ প্ৰিয় শব্দ কি?**

**তানা দেৱৰাজ ঃ** মোৰ প্ৰিয় শব্দ হৈছে Music, গান, বাদ্য।

■ **আপোনাৰ শিক্ষা-দীক্ষাৰ বিষয়ে অলপ কওঁকচোন?**

**তানা দেৱৰাজ ঃ** মোৰ ১৯৭৮ চনত নগাঁৱৰ খ্ৰীষ্টানপট্টিত জন্ম। মই নগাঁও মিচন হাইস্কুলত পঢ়িছিলোঁ। Nine আৰু Ten Class ইংলিছ একাডেমীত পঢ়িছিলোঁ। ইংলিছ একাডেমীৰ পৰা মেট্ৰিক পাছ কৰি Higher Secondary কলংপাৰ বিদ্যাপীঠত পঢ়িছিলোঁ। সেইবছৰ কলংপাৰ বিদ্যাপীঠত আমি First Batch আছিলোঁ। মই Higher Secondary পাছ কৰি সংগীত জগতলৈ গুচি আহিলোঁ। তাৰপিছত আৰু মোৰ পঢ়া নহ'ল।

■ **আপোনাৰ জীৱনৰ স্মৰণীয় ঘটনা এটাৰ বিষয়ে অলপ কওঁকচোন?**

**তানা দেৱৰাজ ঃ** হোজাইৰ এটি অনুষ্ঠানত মই প্ৰথম গীত পৰিৱেশন কৰাৰ সময়ত মোৰ ডায়েৰীত কেৱল তিনিটা গীত লিখা হৈ আছিল। মোক গায়ক হিচাপে মোৰ লগৰ বন্ধু এজনে আমন্ত্ৰণ জনাইছিল। এঘণ্টাৰ সেই অনুষ্ঠানত মোৰ মনলৈ ক'ৰপৰা বিহু আদি অন্যান্য গীত মনত পৰিল তেনেকৈয়ে সেই বিহু আদি অন্যান্য গীত মই পৰিৱেশন কৰিলোঁ। দৰাচলতে বিভিন্ন গায়ক-গায়িকাৰ লগত ড্ৰাম বজাওঁতে তেওঁলোকে গোৱা গীতসমূহ মনত পৰি সেই গীতসমূহেই গাইছিলোঁ। সেই অনুষ্ঠানটো ইমানেই ভাল হৈছিল যে সেয়া মোৰ জীৱনৰ টাৰ্ণিং পইণ্ট আছিল। মই তেতিয়া গম পালোঁ যে মই গান গাব পাৰিম। গান গোৱাৰ যিটো ভয়ভাব আছিল সেয়া নাইকীয়া হ'ল। সেইটো মোৰ জীৱনৰ আটাইতকৈ চিৰস্মৰণীয় ঘটনা।

■ **আপোনাৰ আদৰ্শ ব্যক্তি?**

**তানা দেৱৰাজ ঃ** আদৰ্শ হিচাপে মই জিতুল সোণোৱাল ডাঙৰীয়াক ভাবো। জিতুল দাৰ গান শুনিয়েই মই ডাঙৰ হৈছোঁ।

■ **জীৱন সম্পৰ্কে আপোনাৰ অভিমত?**

**তানা দেৱৰাজ ঃ** জীৱনটো অতি কষ্টদায়ক। সংগীতৰ জগতখন খুবেই কষ্টদায়ক। আজিলৈকে মই এই সংগীত জগতখনত যুঁজি আছোঁ। মানুহ যদি সৎ হয় তেওঁৰ জীৱনটো সুন্দৰ হ'বই।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# তামুলপুৰ জিলা প্ৰশাসনৰ ভাৰতীয় জনতা পাৰ্টীৰ কিষাণ মৰ্চাৰ উদ্যোগত কৃষক সজাগতা সভা




**ৰমেন ভৰালী, বৰশৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চা অসম প্ৰদেশৰ উদ্যোগত তামুলপুৰ জিলা কৃষক মৰ্চাৰ, তামুলপুৰ জিলা প্ৰশাসন আৰু তামুলপুৰ কৃষি বিভাগৰ সহযোগত তামুলপুৰ জিলাৰ শ্ৰীমন্ত শঙ্কৰদেৱ ৰাজহুৱা প্ৰেক্ষাগৃহত যোৱা ৭ আগষ্টত এখন কৃষক সজাগতা সভা অনুষ্ঠিত হয়। কৃষক সজাগতা সভাত উপস্থিত থাকি জিলাখনৰ সন্মানীয় কৃষকসকলৰ সৈতে মত বিনিময় কৰি ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক কিষান মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই কৃষকসকলৰ অভাৱ অভিযোগ আৰু কৃষকসকলৰ মনৰ বতৰা বুজিবলৈ চেষ্টা কৰে। তামুলপুৰ জিলাৰ কৃষকসকলৰ অভাৱ-অভিযোগ অচিৰেই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত কৃষি মন্ত্ৰী অতুল বৰা ডাঙৰীয়াৰ সহযোগত কৃষকসকলৰ প্ৰতিটো সমস্যা দূৰ কৰাৰ বাবে কৃষক মৰ্চাই ব্যৱস্থা গ্ৰহণ কৰিব বুলি কয়। কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই আৰু কয় যে অসমৰ কৃষক বন্ধুসকল ভাৰত চৰকাৰ, অসম চৰকাৰৰ কৃষিখণ্ডৰ অভিলাষী আঁচনিৰ দ্বাৰা লাভান্বিত হৈছে বুলি কয়। সজাগতা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰি কৃষক নেতাজনে আৰু কয় যে কৃষকসকলে জৈৱিকভাৱে খেতি কৰিব লাগে। পচনসাৰ ব্যৱহাৰ কৰি কৃষকসকলে খেতি কৰিলে আমি সেই শাক পাচলি খাই নিৰোগী হৈ থাকিব পাৰিম। আমি নিৰোগী হ'বলৈ পচনসাৰ ব্যৱহাৰ কৰি খেতি কৰিবলৈ তেওঁ সকলো কৃষককে আহ্বান জনায়। তামুলপুৰ জিলাৰ কৃষক সজাগতা অনুষ্ঠানত অসম বিধানসভা সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী উপস্থিত থাকি কয় যে এই কৃষক সজাগতা সভাখন মানৱ জীৱনৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ সভা। আমাৰ কৃষকসকলে সমাজখন ধৰি ৰাখে, সমাজখন আগুৱাই নিয়ে, ৰীতি-নীতিসমূহ পালন কৰে। কৃষকসকল ভালকৈ চলিলে দেশ ভালকৈ চলিব, ৰাজ্যখন ভালকৈ চলিব। সমাজখন আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা কৃষকসকলে পালন কৰি আছে। সেয়ে আমি সকলো কৃষককে প্ৰথমে গুৰুত্ব দিব লাগিব বুলি কয়। অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ভাষণত তেওঁ পুনৰ কয় যে আমাৰ সকলোৰে দায়িত্ব সমান। আমাৰ ওপৰত ন্যস্ত কামখিনি আমি নিয়াৰিকৈ কৰিব লাগে। আমি কৃষকক সন্মান কৰিব লাগে। কৃষকসকলে উৎপাদন কৰা বস্তু তেওঁলোকে অকলে নাখায়। তেওঁলোকৰ উৎপাদিত বস্তু আমি সকলোৱে খাওঁ বুলিও কয়। সজাগতা সভাত ভাৰতীয় জনতা পাৰ্টীৰ কিষাণ মৰ্চাৰ সন্মানীয় ৰাজ্যিক সভাপতি পংকজ বৰবৰা, ৰাজ্যিক কিষাণ মৰ্চাৰ সম্পাদক সঞ্জীৱ বৰা, সহ-কোষাধ্যক্ষ প্ৰকাশ শইকীয়া, উপ-সভাপতি নিবাৰণ লহকৰ, ভাস্কৰ হাজৰিকা, ৰাজেন্দ্ৰ নাথ, কৃষক সংঘৰ সংগঠনিক সম্পাদক কৃষ্ণ কান্ত বৰা, ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সম্পাদক ৰাতুল শৰ্মা, বিটিআৰৰ কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাস, এম চি এল এ হেমন্ত ৰাভা, তামুলপুৰ জিলা কৃষি বিষয়াসকল, মীন বিষয়াসকল, ভাৰতীয় জনতা পাৰ্টীৰ জিলা কৃষক মৰ্চাৰ সভাপতি, সম্পাদক প্ৰমুখ্যে জিলাখনৰ প্ৰতিটো মণ্ডলৰ কৃষক মৰ্চাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## সময় পালে আহিবাচোন এবাৰ

**মেৰী বৰদলৈ,** নগাঁও

সময় পালে আহিবাচোন এবাৰ
এজাক বৰষুণ হৈ
হেঁপাহ পলুৱাই তিতিম
তোমাৰ কথা কৈ।

সময় পালে আহিবাচোন এবাৰ
এছাতি পচোৱা হৈ
এটি গীত জুৰিম
তোমাৰ কথা কৈ
বুকু জুৰ পৰাকৈ।

সময় পালে আহিবাচোন এবাৰ
এমুঠি জোনাক হৈ
একেলগে বহি
সোৱাদ লম
মনৰ কথা কৈ।

সময় পালে আহিবাচোন এবাৰ
পানচৈ নদীৰ ঘাটত বহি
কোমল ওঁঠযুৰিত
মিঠা স্বৰ্গম বুলাই দিম
পাহৰিব নোৱাৰাকৈ।

সময় পালে আহিবাচোন এবাৰ
জোনাকী জনী হৈ
ধিমিকধামাক পোহৰ বিলাই
যাম অসীমলৈ।
সময় পালে আহিবাচোন এবাৰ।

## প্ৰেমামৃত

**জাহ্নৱী বৰা,** যোৰহাট

নিশাবোৰ যিমানেই গভীৰ হৈ আহিছে ক্ৰমশঃ সিমানেই যেন তোমাৰ প্ৰেম কবিতাই মোৰ হৃদয়ত ছন্দৰ লহৰ তুলিছে...
সিদিনা যে নৈৰ পাৰৰ বালিৰ চাপৰিৰ কঁহুৱানিৰ আঁৰ লৈ দুয়ো একেলগে বহিছিলোঁ,
তোমাৰ সিক্ত নয়নযুৰিৰ চাৱনিয়ে,
মোৰ হৃদয়খনত আহি প্ৰেমৰ ৰাগি তুলিছিল...
দুয়ো দুয়োৰে প্ৰেমৰ মাদকতাত বিলীন হৈ পৰিছিলোঁ....
মনৰ মাজত হেজাৰ বিজাৰ কঁহুৱাই হালি জালি নাচোনৰ ৰোল তুলিছিল..
দূৰণিৰ পৰা উৰি আহি বালিচাপৰিত পৰা কপৌহালেও যেন আমাক প্ৰেমৰ মাদকতা দেখি লাজতে মুখ ঢাকিছিল...
তোমাৰ লিহিৰি আঙুলিৰ স্পৰ্শত,
সম্বিৎ পাই বাস্তৱৰ পৃথিৱীলৈ ঘূৰি আহি দেখোঁ,
তোমাৰ হাঁহি বুলোৱা গোলাপৰ পাহি যেন ওঁঠ দুটিয়ে
তেতিয়াও যেন মোৰ ওঁঠৰ উষ্ম প্ৰেমামৃত পান কৰাত বিলীন হৈ আছে....।



## ব্লেড

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

অতি সূক্ষ্ম
দাড়ি, চুলি, নখ
কাটিব পৰা আহিলা।
কাৰোবাৰ জীৱন পৰ্যন্ত ল'ব পৰা
এক সাধাৰণ যদিও ভয়ংকৰ অস্ত্ৰ।
ভিক্ষাৰ জোলোঙা লোৱাৰ পৰিৱৰ্তে
এটা পৰিয়ালক পোহপালৰ
এক পথৰ সন্ধান দিয়ে
সংগ সি এজন খাতিখোৱা নাপিতৰ।

## জিৰণি ক'ত

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

আমাৰ জীৱনটো যে কি
আজি যদি সুখ
কালিলৈ আকৌ দুখ,
দুখৰ মাজতে মুখত হাঁহি আঁকি
সুখী হোৱাৰ আৱৰণ সানিছোঁ।
আজিও আঁকিব পৰা নাই
হেৰাই যোৱা নদীৰ ৰং
বিচাৰি পোৱা নাই
ৰামধেনুৰ সাতোটি বৰণ
আনন্দৰ পথাৰখন
পৰিছে চন।
কি বিচাৰি
পাইছোঁ কি
নিজকে চিনি নাপাওঁ
জীৱন নদীত সাঁতুৰি
পাৰ পোৱা নাই
বাৰে বাৰে সাৰি গৈছোঁ
বাৰে বাৰে উজুতি খাই
পুনৰ উঠি খোজ দিছোঁ
নাজানো শেষ ঠিকনাৰ
জিৰণি ক'ত।



## নিজৰ

**ৰাজেন শৰ্মা**
মনাহকুছি

নিজৰ ঘৰখন এৰি
আহা কিয় আনৰ ঘৰলৈ
দখলদাৰীহে কিয় শত্ৰু হৈছা?
কাৰ ভেটি কোনে দিব
মৰম আৰু স্থায়িত্বৰে গঢ়া
সঁচা-মিছা হিংসা হত্যাৰে
গ্লোৱটো নুপুৰাবা;
হাবিবোৰ ভাঙিলে জানো নিজৰ হয়?
ইতৰ প্ৰাণীবোৰ ক'ত থাকিব?
অকলশৰীয়া হ'লেও
ককাৰ ভেটিটোৱে মোৰ নিজৰ।

## হৃদয়হীনা বিষকন্যা

**অনন্ত কুমাৰ ভূঞা**

স্পৰ্শহীন মই এক মায়াবী স্বপ্ন
হৃদয়হীনা বিষকন্যা
উকমুখা পঁজাৰ ৰখীয়া
নাপালোঁ সময় ধুৱলৈ গাতলগা চেকা
নঘটে মোৰ হিয়াত মমতাৰ উন্মেষ
নিষ্ঠুৰতাৰ জীয়া স্বপ্নৰ পালিতা
মই এজনী দেহোপজীৱিনী
পাশৱিকতাই চুঁই গৈছে শৰীৰ
সময় পাৰ হৈছে বন্ধ কোঠাত
নগ্নতাৰ বেশভূষা পিন্ধিছোঁ
আন্ধাৰ প্ৰিয় হৈ পৰিল মোৰ জীৱনত
ফেঁহুজালি দিওঁতে শুই পৰো মই
ওজৰ আপত্তিৰ মেল নাপাতো
মৰ্মান্তিক বেদনাৰ জুইত গলিছোঁ
উন্মাদ নিশাৰ যৌৱন তন্ময়া
নিৰ্ভয়ে আহে কামাতুৰ পুৰুষ
শৃংগাৰ ৰস বৈ যায় সেই শৰীৰত
বিবাদৰে দৰদাম নকৰো
প্ৰতিশোধৰ কামনাত দগ্ধ মই
লালিত পালিত উন্মাদ অভিসাৰিকা
চঞ্চল যৌৱনৰ কামনা মূৰ্তিমান
মই স্পৰ্শহীন মায়াবী স্বপ্নৰ বিষকন্যা
সেইদিনা
তোমাৰ ঠিকনা বিচাৰি নাপালোঁ
সেইবাবে আজিও দুখ লাগে।

## শ্ৰীমণ্ডিত মাতৃভাষা মোৰ

**ৰীতা বৰুৱা,** জগদুৱাৰ

জাতিৰ সিংহ দুৱাৰ মাতৃভাষা
মাতৃভাষা, শ্ৰান্তিভৰা কণ্ঠত যাৰ
অজস্ৰপাহি হেঁপাহৰ কুসুম ফুলে,
মন-গহনৰ চৌদিশ আমোলাই,
প্ৰতিশ্ৰুত ওঁঠৰ সুৱাগ-সুগন্ধিৰে মৰতত সৰগ ৰচে,
সেয়ে মোৰ মাতৃভাষা, মোৰ আইৰ মুখৰ ভাষা।
.....................
পৃথিৱীৰ কোলাত খোজ থোৱাৰ পূৰ্বেই
লভিছিলোঁ ধৰিত্ৰীৰ অমূল্য উপহাৰ
মাতৃভাষা, মাতৃগৰ্ভতেই;
তেতিয়াই গঢ়িছিল আইৰ স'তে নিবিড় সম্পৰ্ক
উপজিয়ে যাৰ মৌসনা শুৱলা মাতত,
লভিছিলোঁ প্ৰশান্তি পৃথিৱীৰ প্ৰথম মায়াত।
সদ্যজাত শিশুৰ অজানা প্ৰাণক,
মৰমৰ গীত গাই অবিনশ্বৰ মৰমৰ এনাজৰীৰে
বান্ধিছিল যি অমিয়া-মধুৰ কণ্ঠই,
মায়াময় আবেগৰ কাঁচুলি উদঙাই যাঁচিছিল নিচুকাই
মৰমৰ চুমা
সেয়ে মোৰ মাতৃভাষা,
মোৰ আইৰ মুখৰ ভাষা।
.................................
মৰম উপাসিকা আই।
নিবিড়-নিজান আইৰ জোনাকী কোলাত
প্ৰতিটি ক্ষণতে এন্ধাৰে মেলানি মাগে;
স্বপ্নদ্ৰষ্টা আইৰ শুৱলা কণ্ঠৰেহে পৰশিব পাৰি
হাজাৰটা স্বপ্ন,
জুলাব পাৰি সপোনৰ হাজাৰ গছি বন্তি, বুদ্ধ জোনাকৰ;
হিয়া উজাৰি অন্তৰৰ সমস্ত ভাৱক,
মূৰ্ত্তিমন্ত কৰিব পাৰি
জ্ঞান আৰু বৌদ্ধিক বিকাশেৰে।
বিশাল বিশ্বত যাৰ কণ্ঠৰ অমৃতেৰে পৰিচয় পাব পাৰি সহোদৰৰ,
সেয়ে মোৰ মাতৃভাষা, আইৰ মুখৰ অমৃত ভাষা।
..................................
চিৰ চেনেহী মোৰ ভাষা অসমীয়া,
অনন্ত সম্ভাৱনাত নিৰ্বাসিত হৈ
উমাল খামোচত বন্দী মোৰ অতনু আত্মা;
মোৰ প্ৰাণৰো প্ৰাণৰ
মাতৃভাষা,
চিৰ যুগমীয়া হওক মোৰ জননীৰ ভাষা।
..................................
কিন্তু হায়, ক্ষমতাৰ পঙ্কাত আজি জঠৰ আইৰ ভাবীকাল
তথাপিও হৃদয়ত জুলাই ৰাখি আশাৰ বন্তি,
দেৱচৰ্যাৰে বজাই দি নিশাৰুদ,
কৰিছোঁ প্ৰাৰ্থনা পৰমজনাক,
ৰাখে যেন অক্ষুণ্ণ মোৰ আইৰ মুখৰ ভাষা,
হয় যেন জ্যোতিৰ্ময়ী
মোৰ চিৰ চেনেহী মাতৃভাষা।

**ম'বাইল ঃ ৯৯৫৪৫-৯৪৮২৩**

## স্মৃতিৰ ডায়েৰীত বন্দী

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

সুখ, দুখৰ সময়ৰ প্ৰতিচ্ছবিবোৰ
আজিও মনত ৰাখিছো
সেই যে তোমাৰ, মোৰ একেলগে
হুমুনিয়াৰে হেঁপাহৰ বৰষুণ জাকত তিতা
এতিয়াও স্মৃতিৰ ডায়েৰীত বন্দী।

যদিও কোনে গুৰুত্ব কাক দিলে
তাৰ হিচাব-নিকাচ মাথোঁ
ডায়েৰীতে সীমাবদ্ধ নহয় ,
ব্যস্ততাৰ মাজতো এবাৰ যদি
আত্মীয়তাৰে হৃদয়ত এবাৰ জুমি চোৱা ।

জোন গ'লা দোভাগ ৰাতি
অলিখিত বুকুৰ মাজত খেপিয়াও
ডায়েৰীত লিখিব নোৱাৰা কথাবোৰ
হেৰুৱাবও নোখোজো, উকা কৰিব নোৱাৰো
সম্পৰ্কৰে গঢ়া শব্দহীন প্ৰতিটো প্ৰহৰ।

## ৰাধা

**পৰীস্মিতা গগৈ দত্ত**
শিৱসাগৰ

কোনে কয় ৰাধা বিৰহনী
কৃষ্ণৰ প্ৰাণৰ আধা নহয়
বুলি।
আজি বৃন্দাবন হৈছে অতি বিতোপন
শৰৎকালৰ ৰাত্ৰি চন্দ্ৰমাৰ সুশোভিত
পোহৰে বিলাইছে অকৃত্ৰিম
ভাস্কৰ্যৰ জোনাক।
কোনে কয় ৰাধা আধৰুৱা...
কৃষ্ণৰ উশাহতে সৰ্বদা বিৰাজমান
ন'হলেনো ৰুক্মিণী থকাৰ পাছতো
কৰিলেহেঁতেন জানো ৰাসলীলা
উদ্‌যাপন।
শৰৎৰ শেৱালি সৰা দলিচাত
নিয়ৰত তিতি থকা বাঁহীটো
মৰমে বুটলি ফু দি সুৰ তোলে
ৰাধাৰ নুপুৰৰ মধুৰ শব্দত।
সেয়ে জীৱন্ত হৈ পৰে মধুবন
জোনাক যামিনী নিশা
ৰাধা-কৃষ্ণৰ প্ৰেমৰ
অমিয়া মায়াত।

## জ্ঞানদীপৰ গুণমুগ্ধ

**ফুকন কৈৱৰ্ত**
ৰামপুৰ, কামৰূপ, অসম

ল'ৰাজন লোকচক্ষুত ডেলিভাৰী বয়,
লোকৰ ঘৰে ঘৰে খাদ্য যোগানেই তাৰ ওকাদ
কিমানদূৰ সভ্যতাৰ উন্নয়নত আমাৰ এই উদাসীনতা
শিক্ষা, সংস্কৃতি এইবোৰ কি প্ৰিভিলেজ সভ্যতা।
কটনিয়ান হোৱাৰ গৌৰৱত উথলি উঠে বহুজন
হয়তোবা প্ৰতিষ্ঠিত ও হয় অনেকজন,
কিন্তু কটনিয়ান জন জানো ডেলিভাৰী বয় হ'ব পাৰে।
কিয় নোৱাৰিব, এয়া কৰ্মসংস্কৃতিৰ বাবে ভাল খবৰ।
দেউতাকহীন ঘৰখনত মাক, ভনীয়েকৰ বোজা হ'ব নোখোজে সি,
পঢ়াৰ লগতে ঘৰখনৰ খৰচৰ জঞ্জাল মাৰিব খোজা
তাৰ মেধাৱান, কৃতীমান মনটোৱে
দুখৰ বোজা কঢ়িওৱা মাকজনীক আশাৰ ৰেঙণি
দেখাব খোজে কিঞ্চিত হ'লেও,
পঢ়ি যায় কামৰ ফাঁকে ফাঁকে
ৰচি যায় সপোন আহে আহে
গঢ়িবলৈ জীৱনৰ জীপাল উদ্‌যাপন,
নিৰ্বিবাদে এয়াই তাৰ জীৱন আবাহন।
ল'ৰাজন আজি সংবাদ শিৰোণামত,
তেওঁৰ স'তে পুলিচ এজনৰ অভব্য আচৰণ
ল'ৰাজনৰ দোষ, সি নো পাৰ্কিঙত গাড়ী সোমাইছে
দোষ কৰিছে বুলি সি স্বীকাৰো কৰিছে
কিন্তু সৰু মানুহৰ কথা জানো বহে,
বৰ বৰ নেতা পালিনেতাৰ সন্মানত মূৰ তল কৰা
বিষয়াই সৰু মানুহৰ ওপৰতেইতো হিৰো বনিব খোজে।
আইনৰ দোহাইদি ফাইনৰ বদলি যদি
শাৰীৰিক মানসিক অত্যাচাৰৰ আশ্ৰয় লোৱা হয়,
বাচি নাথাকিব পুলিচগিৰিৰ সভ্যতা....
পুলিচবোৰো মানুহ, মানুহৰ মমতাৰে সমাজ
সুৰক্ষিত কৰাৰ অতন্দ্ৰ প্ৰহৰী তেওঁলোক,
অথচ গালি-শপনিৰ থকা সৰকাত ম্ৰিয়মান হয় তেওঁলোক।
এজনৰ বাবে লজ্জিত হয় সমাজ কিম্বা তেনে শ্ৰেণী,
সংস্কাৰৰ আদব-কায়দাত কিয় সৰি নপৰে আজি সপোন
জ্ঞানদীপৰ কৃতীমান স্বভাৱতে দেখোন আজি
সকলো হ'ল আপোন।

**ম'বাইল ঃ ৯৬১৩৪-৯১৪৮৯**

প্ৰথম পৃষ্ঠাৰ পৰা

## গোৱা আৰক্ষীত নিযুক্ত কনিষ্টবলক প্ৰশিক্ষণ প্ৰদানেৰে উজলি উঠিল লাচিত বৰফুকন পুলিচ একাডেমী

নিজ ৰাজ্যত তেওঁলোকে জনসেৱাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিবলৈ সমৰ্থ হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চলিত বৰ্ষৰ ১৫ মাৰ্চত লাচিত বৰফুকন আৰক্ষী একাডেমীখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আৰক্ষী একাডেমীখনত অসম আৰক্ষীৰ ধাৰাবাহিক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। তদুপৰি চলিত বৰ্ষত মণিপুৰ আৰক্ষীত নিযুক্ত কনিষ্টবলকো প্ৰশিক্ষণ প্ৰদানৰ দায়িত্ব এই একাডেমীখনে সফলতাৰে বহন কৰিছে। অসম মা কামাখ্যা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পূণ্য ভূমি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গোৱা আৰক্ষীত নিযুক্ত কনিষ্টবলসকলে প্ৰশিক্ষণৰ কালচোৱাত অসমৰ সভ্যতা আৰু সংস্কৃতিৰ সৈতে পৰিচয় হোৱাৰো সুযোগ লাভ কৰিছে। তেনেদৰে এই প্ৰশিক্ষণকালত অসম আৰক্ষীয়েও গোৱাৰ সংস্কৃতিৰ সৈতে পৰিচয় হোৱাৰ সুযোগ লাভ কৰিছে বুলি মন্তব্য কৰি তেওঁ উচ্চ আদৰ্শ বজাই ৰাখি দেশ তথা জনসাধাৰণৰ সেৱাৰ বাবে সকলো সময়তে তৎপৰ হৈ থাকিবলৈ প্ৰশিক্ষণ সমাপ্ত কৰা গোৱা আৰক্ষীৰ কনিষ্টবলসকলক আহ্বান জনায়। ভাষণত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে অসমৰ যথেষ্ট সংখ্যক যুৱক-যুৱতী বিভিন্ন কাৰণত গোৱাত বসবাস কৰে। ৰাজ্যৰ এনে যুৱক-যুৱতীসকলৰ যিকোনো সমস্যা তথা প্ৰয়োজনত গোৱা আৰক্ষীয়ে সহায়ৰ হাত আগবঢ়াব বুলিও তেওঁ আশা প্ৰকাশ কৰে। উল্লেখ্য যে, গোৱা আৰক্ষীত নিযুক্ত প্ৰথম, দ্বিতীয় আৰু তৃতীয় ইণ্ডিয়া ৰিজাৰ্ভ বেটেলিয়নৰ ৭০০ গৰাকী কনিষ্টবলৰ ৫৬৯ গৰাকী পুৰুষ আৰু ১৩১ গৰাকী মহিলা কনিষ্টবলে লাচিত বৰফুকন পুলিচ একাডেমীত বিগত বৰ্ষৰ অক্টোবৰ মাহৰ পৰা প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। ৪৩ সপ্তাহ জোৰা এই প্ৰশিক্ষণৰ সময়চোৱাত তেওঁলোকক শাৰীৰিক আৰু মানসিক সামৰ্থ্য বৃদ্ধিৰ কঠোৰ প্ৰশিক্ষণৰ লগতে কৰ্মক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া কৌশল তথা অস্ত্ৰচালনাৰ প্ৰশিক্ষণো প্ৰদান কৰা হৈছে। আজিৰ এই দীক্ষান্ত সমাৰোহত গোৱাৰ মুখ্যমন্ত্ৰী ড° প্ৰমোদ সাৱন্তেও ভাষণ প্ৰদান কৰি গোৱা আৰক্ষীৰ কনিষ্টবলসকলে লাচিত বৰফুকনৰ দৰে এগৰাকী মহাবীৰৰ নামেৰে নামাংকৃত একাডেমীখনত প্ৰশিক্ষণ লাভৰ সুযোগ পোৱাৰ বাবে তেওঁলোক সৌভাগ্যৱান বুলি মন্তব্য কৰে। অনুষ্ঠানত অসম আৰক্ষীৰ জোৱানে মটৰ চাইকেল চালনাৰ দুঃসাহসিক ক্ৰীড়া-কৌশলো প্ৰদৰ্শন কৰে। এই দীক্ষান্ত সমাৰোহত কৃষি আদি বিভাগৰ মন্ত্ৰী অতুল বৰা, বিত্ত আদি বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালী, বিশ্বজিৎ ফুকনৰ উপৰি অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা, অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমীত সিং, গোৱা আৰক্ষীৰ সঞ্চালকপ্ৰধান আলোক কুমাৰকে ধৰি কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## প্ৰধানমন্ত্ৰী মোদীৰ ৮ ছেপ্তেম্বৰত প্ৰস্তাৱিত গোলাঘাট ভ্ৰমণৰ প্ৰস্তুতিৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

প্ৰায় ৫ মেগাৱাট সেউজ শক্তিও উৎপাদন কৰিব। শোধনাগাৰটোৱে বছৰি ডেৰশ-দুশ কোটি টকাৰ বাঁহ কেঁচামাল হিচাপে ক্ৰয় কৰিব, যি অসমৰ বাঁহ খেতিয়কসকলৰ লগতে ৰাজ্য গ্ৰাম্য অৰ্থনীতিলৈ এক বৃহৎ পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে গোলাঘাটত প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে আজি ইয়াৰ প্ৰস্তুতিৰ বিভিন্ন দিশৰ পৰ্যালোচনা কৰে। তেওঁ কয় যে বহুমুখী উপযোগিতা সম্পন্ন বাঁহ অসমত প্ৰচুৰভাৱে উৎপন্ন হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিবলগীয়া এই জৈৱ শোধনাগাৰটোৱে বৃহত্তৰ অঞ্চলটোৰ লগতে সমগ্ৰ ৰাজ্যখনক যাতে বিভিন্ন ধৰণে উপকৃত কৰিব পাৰে সেই দিশত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে জৈৱ শোধনাগাৰটোৰ বাবে প্ৰয়োজন হোৱা বাঁহ কৃষকৰ পৰা ক্ৰয়ৰ পিছত সেই বাঁহসমূহক এটা নিৰ্দিষ্ট আকাৰত স্থানীয়ভাৱে কাটি শোধনাগাৰলৈ লৈ অনা হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিততে বিভিন্ন স্থানত ক্ষুদ্ৰ উদ্যোগো গঢ়ি উঠিব বুলি তেওঁ মন্তব্য কৰে। ইয়ে নিয়োগৰ ক্ষেত্ৰ এখনো মুকলি কৰিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বাঁহৰ উৎপাদনলৈ লক্ষ্য ৰাখি অসমত ভৱিষ্যতে এইধৰণৰ চাৰি-পাঁচটা জৈৱ শোধনাগাৰ স্থাপনৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নুমলীগড় শোধনাগাৰত দেশৰ ভিতৰতে এইধৰণৰ প্ৰথমটো প্ৰকল্প উদ্বোধন কৰা কাৰ্যই ৰাজ্যখনত ভৱিষ্যতে এটা ইতিবাচক ঔদ্যোগীকৰণৰ পৰিৱেশ গঢ় দিয়াত সহায় কৰিব বুলিও তেওঁ কয়। এই বৈঠকত কৃষি আদি বিভাগৰ মন্ত্ৰী অতুল বৰা, বিত্ত আদি বিভাগৰ অজন্তা নেওগ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, পৰিবহন আদি বিভাগৰ মন্ত্ৰী যোগেন মহন আৰু শ্ৰমিক কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ লগতে বহুকেইগৰাকী বিধায়ক তথা মুখ্য সচিব ড° ৰবি কোটা আৰু আৰক্ষী সঞ্চালকপ্ৰধান হৰমীত সিঙকে ধৰি শীৰ্ষ প্ৰশাসনিক বিষয়াসকল উপস্থিত থাকে।

## এতিয়াৰ পৰা জনা যাব 'ৰূপকোঁৱৰ চ'ক' নামেৰে

সংবাদমেলৰ জৰিয়তে আনুষ্ঠানিকভাৱে ঘোষণা কৰে এই ঠাইডোখৰৰ নতুন নাম। সকলোৰে আৱেগ আৰু অনুভূতিক সন্মান জনাই জিলা আয়ুক্ত গৰাকীয়ে মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা অনুসৰি 'ঢাকাইপট্টি'ৰ নাম নতুনকৈ 'ৰূপকোঁৱৰ চ'ক' হিচাপে নামকৰণ কৰে। উল্লেখ্য, চহৰখনৰ উক্ত বাণিজ্যিক স্থানৰ সন্মুখৰ ভাগতে থকা চাৰিআলিটোত বহু বছৰৰ পৰাই আছে এটি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তি। তদুপৰি, যুগ যুগ ধৰি এই ঠাইডোখৰত থলুৱা অসমীয়া মানুহৰ লগত বেছ সমিলমিলেৰে মাৰোৱাৰীসকলে বেপাৰ-বাণিজ্য চলাই অহাৰ লগতে ঠাইডোখৰক চহৰখনৰ অন্যতম বাণিজ্য প্ৰধান অঞ্চল হিচাপে গঢ়ি তুলিছিল। সেয়ে, মাৰোৱালী সম্প্ৰদায়ৰ লোক হ'লেও অসমীয়া কৃষ্টি, সাহিত্য, সংস্কৃতিক চহকী কৰি থৈ যোৱা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামেৰে উক্ত ঠাইডোখৰক নামাংকিত কৰাত এতিয়া সকলোৰে ইয়াক আদৰণি জনাইছে। লগতে, 'ঢাকাইপট্টি'ৰ সলনি 'ৰূপকোঁৱৰ চ'কক্স নামাকৰণ কৰাৰ বাবে নগাঁও জিলা আয়ুক্তৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰে নগএগ্ৰা জনতাই। কোৱাটো সমীচিন যে, কেইদিনমান পূৰ্বে 'ঢাকাইপট্টি'ত তনদ্বীপ কাকতি নামৰ এজন খিলঞ্জীয়া যুৱকক সংখ্যালঘু সম্প্ৰদায়ৰ এজন যুৱকে বাইকৰ হৰ্ণ বজোৱাক লৈ হেলমেটেৰে প্ৰহাৰ কৰাৰ ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। আনকি এই চাঞ্চল্যকৰ ঘটনাৰ পিছতেই ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া ব্যক্ত কৰাৰ লগতে 'ঢাকাইপট্টি'ৰ নামটো সলনি কৰাৰ পোষকতা কৰি ইয়াৰ বাবে জিলা আয়ুক্ত সকলোৰে গ্ৰহণযোগ্য এটি নামেৰে ঠাইডোখৰ নামাংকিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল। কাজেই, সেই নিৰ্দেশনাক সাৰোগত কৰিয়েই সকলো চালি-জাৰি চাই এইদৰে জিলা আয়ুক্তই 'ঢাকাইপট্টি'ক নতুনকৈ 'ৰূপকোঁৱৰ চ'ক' হিচাপে নামাকৰণ কৰে। ফলত এতিয়াৰ পৰা নগাঁও চহৰৰ এই বাণিজ্যিক ঠাইডোখৰৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আৱক্ষ মূৰ্তিৰ পৰা পূব দিশে আগুৱাই গৈ 'চৈতন্য ভাণ্ডাৰ'ৰ লৈকে এলেকাখিনিৰ নাম সকলোৰে মাজত 'ৰূপকোঁৱৰ চ'ক' হিচাপে জনাজাত হ'ব।

## শিক্ষাৰ অবিহনে এটা জাতিৰ উন্নয়ন অসম্ভৱ ঃ মন্ত্ৰী হাজৰিকা

আয়োজন কৰাৰ পৰিৱৰ্তে, সেই ধনৰ এক অংশ সম্প্ৰদায়টোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰশিক্ষণ শিবিৰ, কোচিং আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ উপযুক্ত প্ৰস্তুতিৰ বাবে ব্যৱহাৰ কৰাটো অধিক ফলপ্ৰসূ হ'ব। চিকিৎসা শিক্ষাত অনুসূচিত জাতিৰ বাবে থকা আসন সংৰক্ষণ ব্যৱস্থাৰ সম্পূৰ্ণ সুযোগ সূত্ৰধৰসকলেও গ্ৰহণ কৰিব লাগে বুলি তেওঁ উল্লেখ কৰে আৰু জনগোষ্ঠীটোৰ যোগ্য শিক্ষাৰ্থীক সন্থাৰ জৰিয়তে আৰ্থিক অনুদান প্ৰদানৰ ব্যৱস্থাও গ্ৰহণ কৰাৰ বাবে আহ্বান জনায়। শিক্ষাৰ সহায়তহে এটা জাতি, জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়ন সম্ভৱপৰ বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰিকাই শৈক্ষিক দিশত সকলোকে গুৰুত্ব দিবলৈ আহ্বান জনায়। তদুপৰি, জনগোষ্ঠীটোৰ বাবে উন্নয়ন পৰিষদ গঠনৰ সন্দৰ্ভতো মুখ্যমন্ত্ৰীৰ নেতৃত্বত আলোচনা চলি আছে বুলি তেওঁ উল্লেখ কৰে আৰু পৰৱৰ্তী সময়ত জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে চৰকাৰৰ তৰফৰ পৰা যথাসম্ভৱ প্ৰচেষ্টা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে। তেওঁ লগতে কয় যে কোনো থলুৱা জনগোষ্ঠীক এই চৰকাৰৰ দিনত উচ্ছেদ কৰা নহয়। সভাত মন্ত্ৰী হাজৰিকাৰ লগতে খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, বিধায়ক অজয় কুমাৰ ৰায়, কমতাপুৰ স্বায়ত্ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱেশ ৰয়, বিটিআৰৰ ইএম অৰূপ কুমাৰ দে, সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ সভাপতি লক্ষীকান্ত সূত্ৰধৰসহ যথেষ্টসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## সৰুসজাই ষ্টেডিয়ামত ৰৰহেজাৰ শিল্পীয়ে পৰিৱেশন কৰিব বড়ো লোক

বড়ো সাহিত্য সভা, দুলাৰাই বাথৌ গৌথুম আদিৰ প্ৰতিনিধিৰ উপস্থিতিত সাংস্কৃতিক মন্ত্ৰী বড়াৰ লগতে সাংস্কৃতিক বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ড° বি কল্যাণ চক্ৰৱৰ্তী, সাংস্কৃতিক মন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া ৰাজীৱ থাপা, সাংস্কৃতিক সঞ্চালক ৰাহুল চন্দ্ৰ দাসৰ লগতে বিশেষজ্ঞ সমিতিয়ে সভাৰ আৰম্ভণিতে 'বাগৰুম্বা দ'হৌ'ৰ বাবে প্ৰস্তুত কৰা নৃত্যৰ নমুনা ভিডিঅ' এটি দৰ্শন কৰে। বিহু বিনন্দীয়া আৰু ঝুমইৰ বিনন্দিনীৰ আৰ্হিত বড়োসকলে বৈসাগু উৎসৱৰ সময়ত পৰিৱেশন কৰা বাগৰুম্বা নৃত্যক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰাৰ বাবে অসম চৰকাৰৰ পৃষ্ঠপোষকতাত আয়োজন কৰিবলৈ লোৱা এই বৃহৎ নৃত্যানুষ্ঠানটিৰ বাবে পুৰুষ আৰু মহিলা শিল্পীসকলৰ সাজপাৰ, আ-অলংকাৰ, লোকবাদ্য আদিৰ সন্দৰ্ভতো এই সভাতে বিশদভাৱে আলোচনা কৰা হয়। উল্লেখ্য যে অহা দুমাহৰ ভিতৰতে শিল্পী নিৰ্বাচন, ওজা প্ৰশিক্ষকৰ নিৰ্বাচন আৰু প্ৰশিক্ষণ, বিধানসভা ভিত্তিক প্ৰশিক্ষণ আদি সম্পন্ন কৰা হ'ব।

## ফুটবল মহাৰণৰ বাবে সাজু হৈছে মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থা




**শংকৰ দাস, মুকালমুৱা ঃ** 'মুকালমুৱাত অনুষ্ঠিত হ'ব লগা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত চক্ৰধৰ ডেকা সোঁৱৰণী ফুটবল প্ৰতিযোগিতা উপলক্ষে মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ সংবাদমেল। অহা ৩ চেপ্তেম্বৰৰ পৰা আৰম্ভ হ'ব ফুটবল প্ৰতিযোগিতাখন। প্ৰথম পুৰস্কাৰ ৫ লাখ টকা, দ্বিতীয় পুৰস্কাৰ ৩ লাখ টকা। ফুটবল মহাৰণৰ বাবে সাজু হৈছে মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থা। মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত চক্ৰধৰ ডেকা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাখন প্ৰতিবছৰে অনুষ্ঠিত হৈ আহিছে। এইবেলিও ১৩তম চক্ৰধৰ ডেকা সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব মুকালমুৱাস্থিত দেশভক্ত ময়দানত। সেই উদ্দেশ্যে মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাই দেশভক্ত ময়দানত এখনি সংবাদমেলৰ আয়োজন কৰে। মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি তথা GMDAৰ অধ্যক্ষ নাৰায়ণ ডেকাই সংবাদমেলখন সম্বোধন কৰি জানিব দিয়ে যে অহা ৩ চেপ্টেম্বৰৰ পৰা মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ১৩তম চক্ৰধৰ ডেকা সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাখনৰ শুভাৰম্ভ হ'ব। প্ৰতিযোগিতাখনত ক্ৰীড়াপ্ৰেমী ৰাইজক অধিক মনোৰঞ্জন দিয়াৰ বাবে ৰাজ্যৰ আগশাৰীৰ বিভিন্ন ফুটবল ক্লাৱৰ লগতে ৰাজ্যৰ বাহিৰৰ বহুকেইটা আগশাৰীৰ দলকে ধৰি মুঠ ১৩ টা দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত ইতিমধ্যে যোগদান কৰা দলসমূহ ক্ৰমে অইল ইণ্ডিয়া ফুটবল দল দুলীয়াজান, চি আই এচ এফ নিউ দিল্লী, মুম্বাই এফ চি, অসম ৰাইফলচ, শ্বিলং লাজং এফ চি, ক্লাচিক ফুটবল একাডেমী মনিপুৰ, এফ ফোৰ চি মণিপুৰ, অসম পুলিচ ব্লুজ, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ, এলেভেন ষ্টাৰ ক্লাৱ বঙাইগাঁও, মাছা মুকালমুৱা, কামৰূপা এফ চি বকো আৰু সোণাপুৰ স্পৰ্টছ ক্লাব। সভাপতি গৰাকীয়ে লগতে এইবেলি প্ৰতিযোগিতাখনৰ প্ৰথম পুৰস্কাৰ ৫ লাখ টকা আৰু দ্বিতীয় পুৰস্কাৰ ৩ লাখ টকা হ'ব বুলিও ব্যক্ত কৰে। অভিৰুচি ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি প্ৰতিযোগিতাখনৰ শুভাৰম্ভণি ৩ চেপ্টেম্বৰৰ দিনটো নিৰ্ধাৰণ কৰে মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাই। এইবাৰ প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাখনৰ কেইবাখনো খেল মহিলা ৰেফাৰীৰ দ্বাৰা পৰিচালনা কৰা হ'ব। প্ৰতিযোগিতাখন সফল্যমণ্ডিত কৰাৰ বাবে সৰ্বস্তৰৰ ৰাইজৰ সহায় সহযোগিতা কামনা কৰে আয়োজক সমিতিয়ে।

## শ্ৰীশ্ৰীশংকৰদেৱ ৰাজহুৱা পুথিভঁৰালৰ চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শুৱালকুছিৰ অন্যতম ঐতিহ্যমণ্ডিত ধৰ্মপীঠ শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰ, শুৱালকুছিৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ ৰাজহুৱা পুথিভঁৰালৰ শতবৰ্ষ উপলক্ষে আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাত এশগৰাকী প্ৰতিযোগীৰ ভিতৰত 'ক' আৰু 'খ' শাখাত পাঁচ গৰাকীকৈ প্ৰতিযোগীয়ে বঁটা লাভ কৰে। তেওঁলোক ক্ৰমে ক শাখাৰ দিশান দাস (এঞ্জেলছ ইংলিছ স্কুল), নিবিড় দেৱ দাস (হলি কিডছ), ৰুভাঞ্চি দাস (এঞ্জেলছ ইংলিছ স্কুল) কৃষ্টি দাস (শংকৰদেৱ শিশু নিকেতন, শুৱালকুছি) আৰু পৰাগ বৈশ্য (জ্ঞানদ্বীপ ইংলিছ একাডেমী)। আনহাতে খ শাখাত স্নিগ্ধা কলিতা (এঞ্জেলছ ইংলিছ স্কুল), দেৱলীনা দাস (এঞ্জেলছ ইংলিছ স্কুল), মিশখামনিয়া বৈশ্য (সনাতন বালিকা বিদ্যালয়) ময়ুৰী দাস (আদৰ্শ প্ৰাথমিক বিদ্যালয়) আৰু শিৱম কলিতা (অংকুৰ শিশু সদন)। বিজয়ী প্ৰতিযোগীসকলক অহা শ্ৰীশ্ৰীশংকৰদেৱ গুৰুজনাৰ জন্মোৎসৱৰ ৩ অক্টোবৰৰ একাদশীৰ দিনা ধৰ্মালোচনী সভাত বিজয়ী প্ৰতিযোগীসকলক বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি পুথিভঁৰালৰ সভাপতি বীৰেণ দাস আৰু সম্পাদক প্ৰবীণ কুমাৰ দাসে জনাইছে।

জনতাৰ চৰকাৰ | myGov মেৰী সৰকাৰ

অসম চৰকাৰ



# সবল মহিলা সবল সমাজ

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

- উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ আত্মসহায়ক গোটৰ প্ৰতিগৰাকী অৰ্হতাসম্পন্ন মহিলালৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ যোগেদি

₹ ১০,০০০ টকাৰ
উদ্যমিতা পুঁজি

সামৰি লোৱা মুঠ মহিলা উদ্যমী: প্ৰায় ৩০ লাখ

উদ্যমিতাৰ সম্ভাব্য ক্ষেত্ৰসমূহ: কৃষি, পশুপালন, বয়নশিল্প, হস্তশিল্প ইত্যাদি

সৰ্বমুঠ পুঁজি ৩০০০ কোটি টকা

অসমৰ মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ ১ এপ্ৰিল তাৰিখে বিহালী সমষ্টিত আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভণি কৰে

## সমষ্টি অনুসৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ সূচী

| ক্ৰমিক নং | বিধান সভা সমষ্টিৰ নং আৰু নাম | মাহ |
|---|---|---|
| ১ | ৩৯ নং নলবাৰী | |
| ২ | ৫২ নং জাগীৰোড | |
| ৩ | ১২৫ নং পাথাৰকান্দি | আগষ্ট ২০২৫ |
| ৪ | ৮৩ নং মাৰ্ঘেৰিটা | |
| ৫ | ৮ নং ধুবুৰী | |
| ৬ | ১১৮ নং শিলচৰ | |
| ৭ | ১১৪ নং লক্ষীপুৰ | |
| ৮ | ৩৭ নং জালুকবাৰী | |
| ৯ | ৬৩ নং হোজাই | |
| ১০ | ৬৫ নং ঢেকিয়াজুলি | |
| ১১ | ৭০ নং বিশ্বনাথ | |
| ১২ | ৮০ নং জোনাই | ছেপ্টেম্বৰ ২০২৫ |
| ১৩ | ৮৬ নং তিনিচুকীয়া | |
| ১৪ | ১১১ নং ৰংখাং | |
| ১৫ | ৫৩ নং লাহৰিঘাট | |
| ১৬ | ৭ নং গৌৰীপুৰ | |
| ১৭ | ১১ নং মানকাচৰ | |
| ১৮ | ৩৪ নং ডিমৰীয়া | |
| ১৯ | ৩৫ নং নিউ গুৱাহাটী | |
| ২০ | ১২১ নং হাইলাকান্দি | |
| ২১ | ১২৬ নং আৰ কে নগৰ | |
| ২২ | ২৮ নং বকো-ছয়গাঁও | |
| ২৩ | ৩১ নং ৰঙিয়া | |
| ২৪ | ৩২ নং কমলপুৰ | |
| ২৫ | ১৮ নং বঙাইগাঁও | |
| ২৬ | ৫৪ নং মৰিগাঁও | |
| ২৭ | ৫৭ নং কলিয়াবৰ | |
| ২৮ | ৫৯ নং বঢ়মপুৰ | |
| ২৯ | ৬০ নং নগাঁও-বটদ্ৰৱা | |
| ৩০ | ৬১ নং ৰহা | অক্টোবৰ ২০২৫ |
| ৩১ | ৬৪ নং লামডিং | |
| ৩২ | ৬৯ নং নদুৱাৰ | |
| ৩৩ | ৮১ নং শদিয়া | |
| ৩৪ | ৮২ নং ডুমডুমা | |
| ৩৫ | ৮৭ নং চাবুৱা-লাহোৱাল | |
| ৩৬ | ৮৮ নং ডিব্ৰুগড় | |
| ৩৭ | ১২ নং জলেশ্বৰ | |
| ৩৮ | ২৫ নং পাকাবেটবাৰী | |
| ৩৯ | ২৭ নং চমৰীয়া | |
| ৪০ | ৫৫ নং ধিং | |
| ৪১ | ৯ নং বীৰছিং জাৰুৱা | |
| ৪২ | ১০৪ নং দেৰগাঁও | |
| ৪৩ | ১০৫ নং বোকাখাত | |
| ৪৪ | ১০৭ নং সৰুপথাৰ | |
| ৪৫ | ১০৩ নং গোলাঘাট | |
| ৪৬ | ১০৮ নং বোকাজান | |
| ৪৭ | ১০৯ নং হাওৰাঘাট | |
| ৪৮ | ১১৩ নং হাফলং | |
| ৪৯ | ১১৫ নং উধাৰবন্দ | |
| ৫০ | ১২০ নং ধলাই | |
| ৫১ | ২৬ নং বজালী | |
| ৫২ | ৪০ নং টিহু | |
| ৫৩ | ৪৯ নং ছিপাঝাৰ | |
| ৫৪ | ৫০ নং মঙলদৈ | |
| ৫৫ | ৬৬ নং বৰছলা | |
| ৫৬ | ৬৮ নং ৰঙাপৰা | নৱেম্বৰ ২০২৫ |
| ৫৭ | ৭২ নং গহপুৰ | |
| ৫৮ | ৩৬ নং গুৱাহাটী (কেন্দ্ৰীয়) | |
| ৫৯ | ৬ নং গোলকগঞ্জ | |
| ৬০ | ৭৭ নং ঢকুৱাখনা | |
| ৬১ | ৭৮ নং ধেমাজি | |
| ৬২ | ৭৯ নং চিচিবৰগাঁও | |
| ৬৩ | ৮৫ নং মাকুম | |
| ৬৪ | ৯০ নং দুলীয়াজান | |
| ৬৫ | ১ নং গোসাঁইগাঁও | |
| ৬৬ | ১৭ নং সৃজনগ্ৰাম | |
| ৬৭ | ২২ নং মান্দিয়া | |
| ৬৮ | ৬২ নং বিন্নাকান্দি | |
| ৬৯ | ৫৮ নং চামগুৰি | |
| ৭০ | ১০৬ নং খুমটাই | |
| ৭১ | ১১৬ নং কাটিগড়া | |
| ৭২ | ১১৭ নং বৰখলা | |
| ৭৩ | ১৩ নং পশ্চিম গোৱালপাৰা | |
| ৭৪ | ১৫ নং দুধনৈ | |
| ৭৫ | ১৬ নং অভয়াপুৰী | |
| ৭৬ | ২০ নং বিজনী | |
| ৭৭ | ২১ নং ভৱানীপুৰ-সৰভোগ | ডিচেম্বৰ ২০২৫ |
| ৭৮ | ২৪ নং বৰপেটা | |
| ৭৯ | ৩৩ নং দিছপুৰ | |
| ৮০ | ৩৮ নং বৰক্ষেত্ৰী | |
| ৮১ | ৪১ নং মানস | |
| ৮২ | ৪৩ নং তামুলপুৰ | |
| ৮৩ | ৪৪ নং গোৰেশ্বৰ | |
| ৮৪ | ৪৫ নং ভেৰগাঁও | |
| ৮৫ | ৪৭ নং মাজবাট | |
| ৮৬ | ৪৮ নং টংলা | |
| ৮৭ | ৬৭ নং তেজপুৰ | |
| ৮৮ | ৭৩ নং বিহপুৰীয়া | |
| ৮৯ | ৭৬ নং লখিমপুৰ | |
| ৯০ | ৯১ নং টিংখাং | |
| ৯১ | ৯৮ নং মাজুলী | ডিচেম্বৰ ২০২৫ |
| ৯২ | ১০০ নং যোৰহাট | |
| ৯৩ | ১০১ নং মৰিয়নি | |
| ৯৪ | ১২৪ নং দক্ষিণ কৰিমগঞ্জ | |
| ৯৫ | ২৩ নং চেঙা | |
| ৯৬ | ৫৬ নং ৰূপহীহাট | |
| ৯৭ | ১১৯ নং সোণাই | |
| ৯৮ | ১০২ নং তিতাবৰ | |
| ৯৯ | ৯৯ নং টীয়ক | |
| ১০০ | ৯৩ নং সোণাৰি | |
| ১০১ | ৯৪ নং মাহমৰা | |
| ১০২ | ৯৫ নং ডিমৌ | |
| ১০৩ | ৯৬ নং শিৱসাগৰ | |
| ১০৪ | ৯৭ নং নাজিৰা | |
| ১০৫ | ৮৯ নং খোৱাং | |
| ১০৬ | ৯২ নং নাহৰকটীয়া | |
| ১০৭ | ৮৪ নং ডিগবৈ | |
| ১০৮ | ৭৪ নং ৰঙানদী | |
| ১০৯ | ৭৫ নং নাওবৈচা | |
| ১১০ | ৪২ নং বাক্সা | |
| ১১১ | ৪৬ নং ওদালগুৰি | |
| ১১২ | ১৯ নং ছিদলী-চিৰাং | জানুৱাৰী ২০২৬ |
| ১১৩ | ৪ নং বাওখুংগ্ৰী | |
| ১১৪ | ২ নং দতমা | |
| ১১৫ | ১১০ নং ডিফু | |
| ১১৬ | ১১২ নং আম্ৰী | |
| ১১৭ | ৩০ নং হাজো-শুৱালকুছি | |
| ১১৮ | ১২৩ নং উত্তৰ কৰিমগঞ্জ | |
| ১১৯ | ২৯ নং পলাশবাৰী | |
| ১২০ | ১০ নং বিলাসীপাৰা | |
| ১২১ | ৩ নং কোকৰাঝাৰ | |
| ১২২ | ৫ নং পৰ্বতঝৰা | |
| ১২৩ | ১৪ নং পূব গোৱালপাৰা | |
| ১২৪ | ১২২ নং আলগাপুৰ-কাটলিচেৰা | |
| ১২৫ | ৫১ নং দলগাঁও | |

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# সংস্কৃতিৰ সংগম-২০২৫ শীৰ্ষক নৱম সংখ্যক আন্তঃৰাষ্ট্ৰীয় আৰু এয়োদশ ৰাষ্ট্ৰীয় কলা-বাদ্য-সংগীত-নৃত্য প্ৰতিযোগিতা সমাৰোহত শ্ৰেষ্ঠ বঁটা লাভ বংশৰৰ বনস্মিতা দাসৰ



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ শংকৰদেৱ শিশু-বিদ্যা নিকেতন, বংশৰৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী বনস্মিতা দাসে গুৱাহাটীস্থিত জ্যোতি চিত্ৰবনত অনুষ্ঠিত হোৱা 'সংস্কৃতিৰ সংগম-২০২৫' শীৰ্ষক নৱম সংখ্যক আন্তঃৰাষ্ট্ৰীয় আৰু এয়োদশ ৰাষ্ট্ৰীয় কলা-বাদ্য-সংগীত-নৃত্য প্ৰতিযোগিতা সমাৰোহত শ্ৰেষ্ঠ বঁটা লাভ কৰি মুম্বাই কাৰ্নিভেলত অনুষ্ঠিত হ'বলগীয়া সংগীত আৰু নৃত্য প্ৰতিযোগিতা সমাৰোহ-২০২৫ৰ অডিচনত নিৰ্বাচিত হৈ বংশৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। এওঁ বংশৰ নিৱাসী কবীন দাসৰ ছোৱালী। তেওঁলৈ অলেখ শুভ কামনা আৰু অভিনন্দন জনালোঁ।


# স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

**গুৱাহাটী ঃ** ২০২৪ চনৰ ১৯ আগষ্ট তাৰিখে মৃত্যুবৰণ কৰা বৰপেটাৰ সৰবৰহী ব্যক্তি, বিশিষ্ট শিক্ষাবিদ ধীৰেন্দ্ৰ নাথ বায়নদেৱৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে পৰিয়াল আৰু স্থানীয় ৰাইজৰ যৌথ সহযোগিতাৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ মনস্থ কৰা হৈছে। বৰপেটাৰ এম চি কলেজকে ধৰি ৰাজ্যৰ কেবাখনো আগশাৰীৰ মহাবিদ্যালয়ত অধ্যাপনা কৰা এই ব্যক্তিগৰাকীৰ বিষয়ে আগ্ৰহীসকলৰ পৰা লেখা আহ্বান কৰা হৈছে। অহা ১৯ আগষ্ট তাৰিখে প্ৰকাশ পাবলগীয়া গ্ৰন্থখনৰ বাবে লেখা জমা দিয়াৰ শেষ তাৰিখ ১৬ আগষ্ট, ২০২৫। লেখা প্ৰদানৰ ঠিকনা ঃ গুপ্তজিত পাঠক, গীতানগৰ কন্যা মহাবিদ্যালয়, গুৱাহাটী, ফোন নং ঃ ৯০৮৫০৮৪২৪৫ । শিক্ষাবিদ, সমাজপ্ৰেমী সৰবৰহী ব্যক্তি ধীৰেন্দ্ৰ নাথ বায়নদেৱৰ জীৱনৰ বিশেষ গুণসমূহত আলোকপাত কৰি লেখাসমূহ আগবঢ়াবলৈ স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিয়ে আহ্বান জনাইছে।




# প্ৰসিদ্ধ নাট্যকাৰ, গীতিকাৰ, অভিনেতা, পৰিচালক হেমন্ত দত্তৰ মৃত্যুত শোক প্ৰকাশ

**ৰমেন ভৰালী, বংশৰ ঃ** অসম চৰকাৰৰ ২০২৪ বৰ্ষৰ 'অসম সৌৰভ' বঁটাপ্ৰাপক, প্ৰসিদ্ধ নাট্যকাৰ, গীতিকাৰ, অভিনেতা, নাট, চলচ্চিত্ৰ পৰিচালক হেমন্ত দত্তৰ মৃত্যুৰ বাতৰিয়ে ৰাজ্যজুৰি শোকৰ ছাঁ পেলাইছে। যোৱা ১১ আগষ্টত প্ৰবীণ শিল্পীগৰাকীৰ বিয়োগত অসমৰ সমাজ জীৱন তথা সাংস্কৃতিক পৰিমণ্ডলৰ বাবে অপূৰণীয় ক্ষতি। 'বহু জনপ্ৰিয়, মনপৰশা তথা চিৰসেউজ গীতৰ সৃষ্টিৰে প্ৰয়াত হেমন্ত দত্ত এগৰাকী অসমীয়া নাট্যকাৰ, গীতিকাৰ, অভিনেতা আৰু নাট, চলচ্চিত্ৰ পৰিচালক হিচাপে খ্যাতি লাভ কৰিছিল। ১৯৪১ চনত অবিভক্ত দৰং জিলাৰ খাৰুপেটীয়াত জন্ম লাভ কৰা দত্তই এশৰো অধিক নাট আৰু পাঁচশৰো অধিক গীত ৰচনা কৰিছে। অসংখ্য নাট পৰিচালনা কৰাৰ উপৰি তেওঁ উপপথ (১৯৮০) নামৰ চলচ্চিত্ৰ এখনো পৰিচালনা কৰিছিল। তেখেতৰ মৃত্যুত চুটিগল্পৰ পৃথিৱী, অসমৰ সভাপতি ৰমেন ভৰালী, উপ-সভাপতি তথা সংকলন সম্পাদিকা পূৰবী বৰুৱা ফুকন, অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি বিপুল শৰ্মা বৰুৱা, আহ্বায়ক ৰমেন ভৰালীয়ে গভীৰ দুখ অনুভৱ কৰে। তেখেতৰ বিদেহ আত্মাৰ চিৰ শান্তি



কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনায়।




# ৰামদিয়াত পৰম্পৰাগত ফেশ্বন শ্ব' ছিজন-২ প্ৰতিযোগিতা অনুষ্ঠিত




**ৰমেন ভৰালী, বংশৰ ঃ** লয়লাস থুৰীয়া প্ৰডাকচনৰ উদ্যোগত অলপতে 'ফেচ অব হাজো' শীৰ্ষক পৰম্পৰাগত ফেশ্বন শ্ব' ছিজন-২ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। কামৰূপ জিলাৰ হাজোৰ ৰামদিয়া সামূহিক পুথিভঁৰাল প্ৰাংগণত লয়লাস থুৰীয়া প্ৰডাকচনৰ পৰিচালিকা তথা ফেশ্বন ডিজাইনাৰ ৰীণা দাসৰ একক প্ৰচেষ্টাৰে অনুষ্ঠিত পৰম্পৰাগত ফেশ্বন শ্ব' ছিজন-২ত প্ৰতিযোগিতাত বিশেষকৈ শিশু ৰাণৱে খোজ, ট্ৰেন্সজেণ্ডাৰ খোজ আদি অনুষ্ঠিত কৰা হয়। কেইবাটাও শাখাত অনুষ্ঠিত হোৱা পৰম্পৰাগত ফেশ্বন শ্ব' ছিজন-২ত প্ৰতিযোগিতাত ৩ বছৰৰ পৰা ৯ বছৰৰ শিশু শাখা, ১০ বছৰৰ পৰা ১৪ বছৰৰ ছোৱালী শাখা, ১৪ বছৰৰ পৰা ২০ বছৰৰ ছোৱালী শাখা, ১৪ বছৰৰ পৰা ২০ বছৰৰ ল'ৰাৰ শাখাত আৰু আধুনিক নৃত্য প্ৰতিযোগিতাৰ লগতে দলীয় নৃত্য প্ৰতিযোগিতাও অনুষ্ঠিত হয়। 'ফেচ অব হাজো' শীৰ্ষক পৰম্পৰাগত ফেশ্বন শ্ব' ছিজন-২ প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে ভাৰতীয় জাতীয় পাৰ্টীৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ দাসে। মূল ফেশ্বন শ্ব' ছিজন -২ প্ৰতিযোগিতাৰ আগতে আখৰা অনুষ্ঠিত কৰি মূল ফেশ্বন শ্ব' ছিজন-২ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। ফেশ্বন শ্ব' ছিজন-২ প্ৰতিযোগিতাত প্ৰায় ২২ গৰাকী ছোৱালীৰে পৰম্পৰাগত জাতীয় সাজ মুগাৰ মেখেলা চাদৰ বা তচৰ বা মুগা ৰঙৰ সাজপাৰ পৰিধান কৰি আৰু ল'ৰাৰ প্ৰায় ২০ গৰাকীয়ে জাতীয় সাজ ধুতি পাঞ্জাৱী পৰিধান কৰি ফেশ্বন শ্ব' ছিজন-২ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। কেইবাটাও শাখাত অনুষ্ঠিত ফেশ্বন শ্ব' ছিজন-২ প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰে লয়লাস থুৰীয়া প্ৰডাকচনৰ পৰিচালিকা তথা ফেশ্বন ডিজাইনাৰ ৰীণা দাসে। ফেশ্বন শ্ব' ছিজন-২ প্ৰতিযোগিতাখনিত মুখ্য অতিথি হিচাপে উপস্থিত আছিল অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক তথা সাংবাদিক, লেখক ৰমেন ভৰালী আৰু বিচাৰক হিচাপে আছিল ফেশ্বন ডিজাইনাৰ তথা বিহুৱতী, শিক্ষয়িত্ৰী ডলী কাকতি।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা